Content includes AI-generated material


## জনতাৰ শিল্পী লোহিত গগৈ অসুস্থ



বিতং বাতৰি ২ নং পৃষ্ঠাত



www.newsnextone.com

# e সংবাদ




Sacn to Donate
NEWSNEXTONE.COM


TUESDAY, FEBRUARY 11, 2025 ■ মঙলবাৰ, ২৮ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪৬ Guwahati, Assam ।। মূল্যঃ এটকা

ভিন্ন দল-সংগঠনৰ চৰকাৰক গৰিহণা

## গুৱাহাটীত নিষিদ্ধ সকলোধৰণৰ প্ৰতিবাদ, মিছিল-শোভাযাত্ৰা



OFFICE OF THE COMMISSIONER OF POLICE
GUWAHATI, ASSAM

ORDER U/S 163 OF THE BHARATIYA NAGARIK SURAKSHA SANHITA, 2023

Dated Guwahati, the 10th February, 2025

Whereas, it has been brought to my attention that, in order to ensure smooth traffic flow in Guwahati, it is essential to manage road usage efficiently. Processions often lead to significant traffic congestion, affecting the free movement of vehicles and causing inconvenience to commuters and other citizens. Such events create challenges for citizens and lead to crowding and congestion. They may also delay emergency services, thereby impacting public safety.

To minimize inconvenience and prevent anticipated congestion, all types of processions within Guwahati City shall be restricted.

Now, therefore, in the exercise of powers conferred upon me under Section 163 of the Bharatiya Nagarik Suraksha Sanhita, 2023, I, Imdad Ali, APS, Deputy Commissioner of Police (Administration), Police Commissionerate, Guwahati, do hereby promulgate this order restricting all processions within Guwahati City to ensure an uninterrupted commute for the public.

This order shall come into force with immediate effect.

Violation of this order shall be punishable under Section 223 of the Bharatiya Nyaya Sanhita, 2023.

Any person aggrieved by this order may appear before me to file a written objection, if any, for its cancellation or modification.

Given under my hand and seal on this 10th day of February, 2025.

10/02/2025
(IMDAD ALI, APS)
Deputy Commissioner of Police (Administration),
Guwahati, Assam.

ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ প্ৰতিবাদ, মিছিল আদি কঠোৰ হাতেৰে দমন কৰিববৈলে সাজু হৈছে অসম চৰকাৰ। এডভান্টেজ আছাম ৪ পৃষ্ঠাত চাওক



মহাকুম্ভলৈ যোৱা পথত এতিয়া ভীষণ যান-জঁট, পুণ্যাৰ্থীৰ হাহাকাৰ

## ১০ কিলোমিটাৰত বাইকত ভাৰা ৫০০০ টকা! সৰ্বত্ৰে অৰাজকতা

# মহাকুম্ভৰ পথত বিশ্বৰ দীৰ্ঘতম ৩০০ কিঃমিঃ যানজঁট

■ ৪৮ ঘণ্টাতকৈয়ো অধিক সময় ধৰি আৱদ্ধ লাখ লাখ পুণ্যাৰ্থী, গুগল মেপকহে জগৰীয়া কৰিলে প্ৰশাসনে!




প্ৰয়াগৰাজ, ১০ ফেব্ৰুৱাৰীঃ ইটোৰ পিছত সিটো প্ৰশাসনিক ব্যৰ্থতাই মহাকুম্ভ মেলা আয়োজনক লৈ শ'লঠেকত পেলাইছে উত্তৰ প্ৰদেশৰ যোগী চৰকাৰক। ইতিমধ্যে কুম্ভমেলাত সংঘটিত হৈছে কেইবাটাও অপ্ৰীতিকৰ ঘটনা। শেষাংশ ৪ পৃষ্ঠাত

## কুম্ভমেলাত ৰাষ্ট্ৰপতিৰ স্নান

প্ৰয়াগৰাজ, ১০ ফেব্ৰুৱাৰীঃ মহাকুম্ভত পুণ্যস্নান কৰিলে দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। শেষাংশ ২ পৃষ্ঠাত

## দুৰ্নীতি কৰা দিব্যাংগ মঞ্চৰ নেতা জালত

ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ বিগত বৰ্ষৰ ১৫, ২২ আৰু ২৯ ছেপ্টেম্বৰত অনুষ্ঠিত হৈছিল ৫ পৃষ্ঠাত চাওক

## কুম্ভমেলাত মৃত্যু শিৱসাগৰৰ যুৱক সুমিতৰ



ই-সংবাদ, শিৱসাগৰ, ১০ ফেব্ৰুৱাৰীঃ প্ৰয়াগৰাজৰ মহা কুম্ভমেলালৈ যোৱা শিৱসাগৰ নগৰৰ শেষাংশ ৫ পৃষ্ঠাত






## পাঁচ ইউটিবাৰৰ বিৰুদ্ধে গোচৰ ৰুজু

অত্যাধিক যৌনগন্ধী কনটেণ্ট!

ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ গুৱাহাটীৰ নয়নপুৰৰ আলোক বৰুৱা নামৰ এজন লোকৰ এজাহাৰৰ শেষাংশ ৫ পৃষ্ঠাত




## চীনৰ বান্ধক লৈ লোকসভাত প্ৰশ্ন দিলীপৰ

কেন্দ্ৰক জনালে আহ্বান

ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ শূন্যকালত লোকসভাত উত্থাপন ২ পৃষ্ঠাত চাওক

## পলাই বিয়া পতাৰ মানসেৰে গৈ থাকোতে দুৰ্ঘটনাত হেৰাই গ'ল জানমণি





ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ কথাতে কোৱা হয় যে প্ৰেমে নামানে জাতি, শেষাংশ ৩ পৃষ্ঠাত

## উজনিত ভূপেন বৰাৰ নেতৃত্বত 'চোতালে চোতালে কংগ্ৰেছ'

ঘৰে ঘৰে গৈ কংগ্ৰেছে শুনিব মানুহৰ মনৰ কথা, কথাৰ ভিত্তিত প্ৰস্তুত কৰিব নিৰ্বাচনী ইস্তাহাৰ

ই-সংবাদ, ডুমডুমা, ১০ ফেব্ৰুৱাৰীঃ সমাগত পঞ্চায়ত নিৰ্বাচনৰ লগতে ৰাজ্যৰ আগন্তুক বিধানসভা নিৰ্বাচনক শেষাংশ ৩ পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# কুম্ভমেলাত ৰাষ্ট্ৰপতিৰ স্নান

সোমবাৰে পুৰা কটকটীয়া নিৰাপত্তাৰ মাজতে প্ৰয়াগৰাজৰ ত্ৰিৱেণী সংগমত উপস্থিত হয় ৰাষ্ট্ৰপতি মুৰ্মু। সেই সময়ত তেওঁক সংগ দিয়ে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু ৰাজ্যপাল আনন্দীবেন পেটেলে। ইয়াৰ পূৰ্বে দেওবাৰে উত্তৰ প্ৰদেশত উপস্থিত হয় ৰাষ্ট্ৰপতিগৰাকী। বিমানবন্দৰত তেওঁক আদৰণি জনায় মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালে। পৰৱৰ্তী দিনটোত অৰ্থাৎ সোমবাৰে পুৱাই মুৰ্মু ৰাওনা হয় কুম্ভলৈ। ৰাষ্ট্ৰপতিৰ আগমনৰ বাবে যোগী চৰকাৰে বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰে। সমগ্ৰ অঞ্চলটো কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হয়। ইয়াৰ পিছতে ৰাষ্ট্ৰপতিগৰাকীয়ে এখন জাহাজেৰে নিৰ্দিষ্ট ঘাটত উপস্থিত হয়। ইফালে পবিত্ৰ স্নানৰ পিছতে ৰাষ্ট্ৰপতি মুৰ্মুৱে হনুমান মন্দিৰত সেৱা লয়। লক্ষ্যণীয় যে, ৰাষ্ট্ৰপতিৰ লগতে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়েও আজি মহাকুম্ভত পবিত্ৰ স্নান কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, উপ-ৰাষ্ট্ৰপতিকে ধৰি কেইবাজনো শীৰ্ষ নেতা-মন্ত্ৰীয়ে প্ৰয়াগৰাজৰ ত্ৰিৱেণী সংগমত পবিত্ৰ স্নান কৰিছিল। উল্লেখ্য যে, প্ৰয়াগৰাজত অনুষ্ঠিত হোৱা কুম্ভমেলালৈ দেশ-বিদেশৰ লক্ষ লক্ষ ভক্তৰ সমাগম ঘটিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চীনৰ বান্ধক লৈ লোকসভাত প্ৰশ্ন

হ'ল ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে নিৰ্মাণ কৰা নদীবান্ধৰ প্ৰসংগ। বিজেপিৰ দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই এই বিষয়টো লোকসভাৰ মজিয়াত উত্থাপন কৰি অসমত খৰাং আৰু বানৰ ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আশংকা কৰে। দিলীপ শইকীয়াই কেন্দ্ৰীয় চৰকাৰক চীনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হৈ বিষয়টোক গুৰুত্ব সহকাৰে ল'বলৈ আহ্বান জনায়। সদনত দিলীপ শইকীয়াই স্পষ্টকৈ কয় যে তিব্বতৰ য়াৰলুং জাংবো নদীৰ ওপৰত নিম্ন অংশত এটা বৃহৎ বান্ধ নিৰ্মাণ কৰা হৈছে। যাৰ ফলত অৰুণাচল প্ৰদেশ আৰু অসম বিপদত পৰিব পাৰে। প্ৰকল্পটো বন্ধ কৰিবলৈ চীনৰ সৈতে দ্বিপাক্ষিক আলোচনা কৰত চৰকাৰে। লোকসভাত শূন্যকালত বিষয়টো উত্থাপন কৰি শইকীয়াই কয় যে বিশ্বৰ সৰ্ববৃহৎ বুলি বৰ্ণনা কৰা বান্ধটোৱে উত্তৰ-পূব ভাৰত আৰু বাংলাদেশৰ দৰে নামনিৰ অঞ্চলসমূহক বিপদত পেলাব। বান্ধটোৰ স্থানটো ভূমিকম্প প্ৰৱণ অঞ্চল আৰু ইয়াক 'জুইৰ আঙুঠি' বুলি কোৱা হয়। চীনে ব্ৰহ্মপুত্ৰ নদীত পৃথিৱীৰ সকলোতকৈ ডাঙৰ বান্ধ নিৰ্মাণ কৰাৰ ঘোষণা কৰিছে। ব্ৰহ্মপুত্ৰ নদী তিব্বতৰ পৰা আৰম্ভ হৈছে। চীনৰ মাজেৰে অৰুণাচলৰ প্ৰদেশৰ মাজেৰে বাংলাদেশ পায়। চীনক এই নদীখনক য়াৰলুং জাংবো বুলি কয়। যদি এই বৃহৎ বান্ধ তিব্বতত চীনে নিৰ্মাণ কৰে তেন্তে ভাৰত আৰু বাংলাদেশৰ ওপৰত ভয়ংকৰ প্ৰভাৱ পৰিব। অৰুণাচলৰ একেবাৰে সীমান্তত হিমালয়ৰ ঘাটিত এই বান্ধ নিৰ্মাণ কৰা হৈছে। এই এলেকাক অগ্নিকুণ্ড এলেকা বুলি দাবী কৰি সাংসদ শইকীয়াই কয় যে এই বিশাল এলেকাত এনে নিৰ্মাণ কৰা মানে পৰিৱেশ আৰু স্থানীয় সমুদায়ৰ বাবে ভয়ংকৰ। এই এলেকাত ভূমিকম্প প্ৰৱণ এলেকা। পৰিৱেশ তন্ত্ৰ ধ্বংস হ'ব। ভয়ংকৰ দুৰ্যোগ সংঘটিত হ'ব পাৰে। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখন আৰু বাংলাদেশৰ বাবে ভয়ংকৰ হ'ব পাৰে। এই ঠাইসমূহে বানৰ তাণ্ডৱ সহি আহিছে। এনে বান্ধ নিৰ্মাণৰ পিছতে ভূমিস্খলন, ভূমিকম্প, বানৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ মুখামুখি হ'ব লাগিব। এই এলেকাৰ সভ্যতা, পৰিৱেশ, সংস্কৃতি আৰু নাগৰিকৰ জীৱনৰ বাবে ভয়ংকৰ বিপদ কঢ়িয়াই আনিব পাৰে। এই বান্ধটোৰ নিৰ্মাণ কৰিবলৈ লোৱা হাইড্ৰ' পাৱাৰ ষ্টেচনৰ পৰা প্ৰতিবছৰে ৩০০ মিলয়ন কিলোৱাট বিদ্যুৎ উৎপন্ন কৰিব। প্ৰায় ১৩৭ বিলিয়ন আমেৰিকান ডলাৰ ব্যয় কৰি পৃথিৱীৰ সকলোতকৈ ভয়ানক বান্ধটো নিৰ্মাণ কৰিবলৈ গৈ আছে। বান্ধটোৰ সিপাৰে পানী সংৰক্ষণ কৰিব। বান্ধটো নিৰ্মাণৰ পিছতে চীনে ব্ৰহ্মপুত্ৰৰ পানী নিয়ন্ত্ৰণ কৰিব। যাৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত পানীৰ সমস্যা, বানৰ সমস্যা সদায়েই থাকিব। অৰুণাচলৰ সীমান্ত পৰ্যন্ত চীনৰ প্ৰভাৱ বৃদ্ধি পাব। শইকীয়াই কয় যে কেন্দ্ৰীয় চৰকাৰে চীনৰ সৈতে দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি বান্ধৰ নিৰ্মাণ ৰোধ কৰিব লাগে। যাতে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক সুৰক্ষিত কৰি ৰাখিব পৰা যায়। বান্ধটোৱে অৰুণাচল প্ৰদেশ আৰু অসমকে ধৰি তলৰ অঞ্চলৰ লোক আৰু সম্প্ৰদায়সমূহক বিপদত পেলাব বুলিও কয় শইকীয়াই। যোৱা বছৰ, চীনে ভাৰতৰ সীমান্তৰ ওচৰৰ তিব্বতৰ য়াৰলুং জাংবো নামৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এটা বান্ধ নিৰ্মাণৰ পৰিকল্পনাত অনুমোদন জনাইছিল। পৰিকল্পনা অনুসৰি, বিশাল বান্ধটো হিমালয়ৰ এটা বিশাল খাদত নিৰ্মাণ কৰা হ'ব।

# জনতাৰ শিল্পী লোহিত গগৈ অসুস্থ! চিকিৎসালয়ত ভৰ্তি

**ই-সংবাদ, ১০ ফেব্ৰুৱাৰীঃ** গণশিল্পী ৰাজীৱ শদিয়াৰ মৃত্যুৰ পাছতে শোকস্তব্ধ ৰাজ্যবাসী। কালি কেইবা হাজাৰ লোকৰ উপস্থিতিত ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হৈ যোৱাৰ পিছতে আন এগৰাকী জনতাৰ শিল্পী অসুস্থ হৈ পৰিছে। জনতাৰ হকে গান গোৱা, জাতি-মাটিৰ শিল্পী লোহিত গগৈ গুৰুতৰভাৱে অসুস্থ। ৮ জানুৱাৰীত ঘৰতে গুৰুতৰভাৱে অসুস্থ হৈ পৰাত লোহিত গগৈক ডিব্ৰুগড়ৰ আস্থা নাৰ্চিং হোমত ভৰ্তি কৰিছে পৰিয়ালে। বৰ্তমানেও চিকিৎসা চলি থকা বুলি জানিব পৰা গৈছে। বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত ঔষধ খাবলৈ আৰম্ভ কৰা শিল্পীগৰাকী আজি কিছু সুস্থ হৈ উঠা বুলি জানিব পৰা গৈছে। পৰিয়ালৰ লোকে ক্ৰমে সুস্থ হৈ উঠা বুলি প্ৰকাশ কৰিছে। ডিব্ৰুগড়ৰ আস্থা নাৰ্চিং হোমত চিকিৎসাধীন জাতি-মাটিৰ শিল্পী লোহিত গগৈৰ স্বাস্থ্যৰ বুজ লয় লুৰীণজ্যোতি গগৈয়ে। জাতি-মাটিৰ গীত গাই ৰাইজৰ আপোন হৈ পৰা শিল্পীগৰাকীৰ আশু আৰোগ্য কামনা কৰে লুৰীণে। চিকিৎসাধীন শিল্পীগৰাকীৰ আশু-আৰোগ্য কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে ৰাজ্যবাসীয়ে। জাতি-মাটিৰ গীত গাই ভালপোৱা জনতাৰ শিল্পী লোহিত গগৈ সুস্থ হৈ উঠাৰ কামনা কৰিছে।

# গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়াৰ নামত বঁটা ঘোষণা চুতীয়া ছাত্ৰ সন্থাৰ, প্ৰথম সন্মান শিল্পী মহেন্দ্ৰ হাজৰিকালৈ

**ই-সংবাদ, ডুমডুমা, ১০ ফেব্ৰুৱাৰীঃ** প্ৰতি বছৰৰ ৭ ব'হাগ তথা সাধনী দিৱসৰ দিনা গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়াৰ নামত সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাই প্ৰদান কৰিব একোটি বঁটা। সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নয়নজ্যোতি বৰশইকীয়াই এই সন্দৰ্ভত আজি ডুমডুমাত মন্তব্য কৰাৰ লগতে প্ৰাৰম্ভিক বৰ্ষৰ এই বঁটাটি জনতাৰ শিল্পী মহেন্দ্ৰ হাজৰিকাক প্ৰদান কৰা হ'ব বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে, সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাজু চুতীয়াই কালি প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধত উপস্থিত হৈ এই কথা সদৰি কৰিছিল। আজি এক বিবৃতিযোগে এই বিষয়ে সংবাদ মাধ্যমক জানিবলৈ দিয়াৰ লগতে গণশিল্পীগৰাকীৰ মৃত্যুত সন্থাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে গণশিল্পী গৰাকীক জনতাৰ বুকুত আজীৱন জীয়াই ৰখাৰ মানসেৰে শিল্পীগৰাকীৰ নামত প্ৰতি বছৰৰ ৭ ব'হাগ (সাধনী দিৱস)ত অসমৰ এজন বিশিষ্ট ব্যক্তিক বঁটা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথাও জানিবলৈ দিয়ে। এই বঁটাটি তেখেতৰ পৰিয়ালৰ হাতেৰে প্ৰদান কৰাৰ লগতে পৰিয়ালটোৰ সুখ-দুখৰ মুহূৰ্তত সন্থাই সহযোগিতা আগবঢ়াব বুলিও জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিত ভূপেন বৰাৰ নেতৃত্বত

লৈ ইতিমধ্যে প্ৰতিটো ৰাজনৈতিক দলে ককালত টঙালি বন্ধাৰ সমান্তৰালকৈ প্ৰধান বিৰোধী দল অসম জাতীয় কংগ্ৰেছেও নিজৰ তৎপৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে।অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে বিগত দিনসমূহত "বাগিছাই বাগিছাই কংগ্ৰেছ"ৰ পাছত এইবাৰ "চোতালে চোতালে কংগ্ৰেছ" শীৰ্ষক কাৰ্যসূচী আৰম্ভ কৰিছে। আজি তিনিচুকীয়া জিলাৰ নৱগঠিত মাকুম বিধান সভা সমষ্টিৰ লাইনা গাঁৱত আয়োজিত "চোতালে চোতালে কংগ্ৰেছ" শীৰ্ষক কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰা উপস্থিত হৈ স্থানীয় ৰাইজৰ সৈতে বিভিন্ন দিশ সম্পৰ্কে মত বিনিময় কৰি শাসকীয় বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। আগন্তুক নিৰ্বাচনত বিজেপিক পৰাস্ত কৰিবলৈ সকলোৱে এৰা-ধৰা মনোভাৱেৰে আগবাঢ়িব লাগিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। সমান্তৰালভাৱে দিল্লী বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পাছত বিজেপি বিৰোধী ভোট বিভাজিত হ'বলৈ দিব নালাগিব বুলি উল্লেখ কৰি বিজেপিক পৰাভূত কৰিবলৈ হ'লে কংগ্ৰেছ দলৰ লগত থাকিবই লাগিব বুলিও মন্তব্য কৰে সভাপতি বৰাই। দিল্লীত অৰবিন্দ কেজৰিৱালৰ অহংকাৰৰ বাবেই আপৰ পতন হৈছে, দিল্লীত কংগ্ৰেছ দলে লাভ কৰা দহ ভাগৰ এভাগ আপৰ লগত যোগ দিয়া হ'লেও আপ জয়ী হ'লহেঁতেন বুলি উল্লেখ কৰে সভাপতিগৰাকীয়ে। সমষ্টিটোৰ অন্তৰ্গত লাংকাছি গাঁও পঞ্চায়তৰ লাংকাছি গাঁৱৰ শিমলুগুৰি চুকৰ দ্বীপেন চুতীয়াৰ বাসগৃহৰ চোতালত উপস্থিত হোৱা সভাপতি বৰাই দলৰ কাৰ্যকৰ্তা আৰু শুভাকাংক্ষীসকলৰ লগত মত বিনিময় কৰাৰ লগতে এক বৈঠকতো অংশগ্ৰহণ কৰে। সভাপতি বৰাক সংগ দিয়ে তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটিৰ সভাপতি জয়ন্ত কলিতা, চাবুৱাৰ প্ৰাক্তন বিধায়ক ৰাজু চাহু, ডুমডুমাৰ প্ৰাক্তন বিধায়ক দিলীপ মৰাণৰ লগতে আন কেইবাগৰাকীও নেতাই। ইফালে, প্ৰদেশ কংগ্ৰেছে এক বিবৃতিযোগে জনাইছে যে কাইলৈ অৰ্থাৎ ১১ ফেব্ৰুৱাৰীত ডিগবৈ আৰু চাবুৱা-লাহোৱাল সমষ্টিত চোতালে চোতালে কংগ্ৰেছৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ডিব্ৰুগড়, তিনিচুকীয়া জিলাৰ পিছত অসমৰ আটাইকেইখন জিলাতে পৰ্যায়ক্ৰমে ৰাইজৰ মনৰ কথা বুজ লোৱাৰ এই কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলিও বিবৃতিটোত উল্লেখ কৰিছে। এই কাৰ্যসূচীত কংগ্ৰেছে ৰাইজৰ কথাৰ আঁত ধৰি ভৱিষ্যত দিনসমূহৰ বাবে এক কৰ্মসূচী প্ৰস্তুত কৰাৰ লগতে নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুত কৰাৰ সময়ত চোতালে চোতালে কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচীত ৰাইজে কোৱা কথাবোৰক গুৰুত্ব দিয়া হ'ব বুলিও সদৰী কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পলাই বিয়া পতাৰ মানসেৰে গৈ

বৰ্ণ, ধৰ্মৰ বাধা। কেতিয়াবা প্ৰেমত পৰিয়াল, সমাজ বাধা হৈ থিয় দিলেও এক হোৱাৰ পথ উলিয়াই লয় প্ৰেমিক-প্ৰেমিকাই। বলিয়া প্ৰেমে ইজনে সিজনক এৰি থাকিব নোৱাৰা কৰে। সিদ্ধান্ত ল'লে যে দুয়োজনে পলাই গৈ বিয়াত বহিব। সকলো বাধা অতিক্ৰমি বুকুত অযুত সাহস গোটাই এহাল প্ৰেমিক-প্ৰেমিকাই তাকেই কৰিব খুজিছিল। জীৱনে-মৰণে ইজনে সিজনৰ হ'বলৈ ঘৰৰ পৰা ওলাই গৈছিল নিশা। কিন্তু ৰাস্তাত ৰৈ আছিল এক বৃহৎ বিঘিনি। দুয়োজনে যুগ্ম জীৱনৰ বান্ধোনত বান্ধ খাবলৈ গৈ থকাৰ সময়তে এক কৰুণ দুৰ্ঘটনাত পতিত হৈ প্ৰেমিকাই থিতাতে প্ৰাণ হেৰুৱায়। আনহাতে দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ হাস্পতালত মৃত্যুৰে যুঁজ দিছে প্ৰেমিকে। ধেমাজি জিলাৰ চিলাপথাৰত সংঘটিত হৈছে এই হৃদয়বিদাৰক ঘটনা। চিলাপথাৰৰ জানমণি মেদকে (২২) প্ৰাণ হেৰুৱাইছে আৰু শচীন দলেই (৩০) হাস্পতালত মৃত্যুৰে যুঁজ দিছে। জানিব পৰা মতে, চিলাপথাৰৰ জানমণি মেদকৰ সৈতে দীৰ্ঘদিনীয়া প্ৰেম আছিল চিলাপথাৰ এলেকাৰে ভাঙিদিয়া গাঁৱৰ যুৱক শচীন দলেৰ। বিভিন্ন কাৰণত পৰিয়ালে দুয়োৰে সম্পৰ্কক মানি লোৱা নাছিল। এদিন দুয়োটা পৰিয়ালে দুয়োৰে সম্পৰ্ক স্বীকাৰ কৰিব বুলি আশা পুহি আছিল যদিও সেয়া হোৱাৰ আশা ক্ষীণ হৈ পৰাত দুয়োজনে পলাই গৈ বিবাহপাশত আৱদ্ধ হোৱাৰ সিদ্ধান্ত লয়। সেই মৰ্মে গোপনে বিবাহপাশত আৱদ্ধ হোৱাৰ সিদ্ধান্ত লৈ চিলাপথাৰৰ জানমণিক কালি নিশা পলুৱাই আনিছিল ভাঙিদিয়া গাঁৱৰ শচীনে। জানমণিক বাইকৰ পিছৰ আসনত বহুৱাই নানা সপোন দেখি বাইক চলাই আহি আছিল শচীন। কিন্তু নিয়তিৰ পৰিহাস অনুযায়ী নিশা প্ৰায় ১০ বজাত পুমি গাঁৱত দুৰ্ঘটনাত পতিত হয় শচীনে চলাই যোৱা বাইকখন। শচীন আৰু জানমণি ৰাজপথত পৰি ৰয়। শচীনৰ গাত তৎ আছিল। জানমণিৰ কাষলৈ আহি তাইক মাত দিবলৈ প্ৰয়াস কৰিছিল। সংজ্ঞানহীন হোৱা জানমণিৰ বাবে সহায় বিচাৰি হাহাকাৰ কৰে শচীনে। পিছত একাংশ লোকে দুয়োজনকে হাস্পতালত ভৰ্তি কৰে যদিও চিকিৎসকে জানমণিক মৃত ঘোষণা কৰে। দীঘদিনীয়া প্ৰেমৰ সম্পৰ্ক চিৰযুগমীয়া কৰিবলৈ ঘৰৰ পৰা ওলাই আহি জানমণিয়ে শচীনক এৰি অচিনা দেশলৈ মেলানি মাগিলে। প্ৰেমিক শচীন ডিব্ৰুগড়ৰ চিকিৎসালয়ত চিকিৎসাধীন। জীৱণে-মৰণে এক হোৱাৰ সংকল্প লৈ অৱশেষত ইজনৰ ওচৰৰ পৰা সিজনে কৰুণভাৱে বিদায় মাগিলে। প্ৰেমৰ সপ্তাহ চলি থকাৰ সময়তে সংঘটিত এই ঘটনাই ধেমাজিত এতিয়া শোকৰ ছাঁ পেলাইছে।

# ওদালগুৰিত বিপিএফ দলৰ বিটিচি চুক্তি দিৱস পালন

**ই-সংবাদ, ওদালগুৰি, ১০ ফেব্ৰুৱাৰীঃ** আজি বিটিচি চুক্তি স্বাক্ষৰ দিৱস। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত স্বাক্ষৰিত হৈছিল এই বিটিচি চুক্তি। বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে বিভিন্ন প্ৰান্তৰ লগতে আজি ওদালগুৰি চহৰতো পালন কৰা হয় ২৩ সংখ্যক বিটিচি চুক্তি দিৱস। ওদালগুৰি চহৰৰ বিষ্ণুৰাভা কৃষ্টি সংঘ প্ৰাঙ্গণত দিনজোৱা কাৰ্যসূচীৰে পালন কৰা দিৱসটিৰ পুৱা বিপিএফৰ দলীয় পতাকা উত্তোলন কৰে জিলা বিপিএফৰ সভাপতি ৰিহন দৈমাৰীয়ে। ইয়াৰ পাছত স্মৃতি তৰ্পন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে বিভিন্ন খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। দিৱস সন্দৰ্ভত সাংবাদিকৰ সন্মুখত মন্তব্য প্ৰদান কৰি ৰিহন দৈমাৰীয়ে কয়, "আজি ২৩ সংখ্যক বিটিচি চুক্তি দিৱসৰ দিনটোত সমূহ ৰাইজকে শুভেচ্ছা জ্ঞাপন কৰিছো। বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি আমি ওদালগুৰিতো এই দিৱস পালন কৰিছো। কিন্তু অতি দুৰ্ভাগ্যজনক বিষয় এয়েই যে বিটিচি চুক্তিৰ দ্বাৰাই বিটিচিত শাসন ব্যৱস্থাৰ প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু বৰ্তমান বিটিচিৰ শাসনাধীস্থ চৰকাৰখনে আজি এই দিৱসটো পালন কৰা নাই। বিটিচি চুক্তি নোহোৱাহেতেন তেওঁলোকে আজি মুখ্য কাৰ্যৱাহী, উপ-মুখ্য কাৰ্যবাহী ইত্যাদি হব নোৱাৰিলেহেতেন। এই সুযোগতে বড়ো আন্দোলনত যিসকল লোক শ্বহীদ হৈছিল তেওঁলোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। এই বিটিচি চুক্তিৰ জৰিয়তে বিটিচি অঞ্চলত উন্নয়ণ আৰু শান্তিৰ পৰিৱেশৰ লগতে সাংবিধানিক ৰক্ষাকবচ লাভ কৰিছো। বিটিচি চুক্তিৰ জৰিয়তে কোকৰাঝাৰত বড়োলেণ্ড বিশ্ববিদ্যালয়, ইঞ্জিয়াৰিং কলেজ, চিআইটি, চিকিৎসা মহাবিদ্যালয়ৰ লগতে বহু অনুষ্ঠান প্ৰতিষ্ঠান লাভ কৰিছে বিটিচিবাসীয়ে। চুক্তিখনৰ জৰিয়তে বিটিচিৰ যোগাযোগ ব্যৱস্থাৰ উন্নতি হ'ল।" কাৰ্যসূচীত উপস্থিত থাকি বিধায়ক চৰণ বড়োৱে কয়, "আজি আমাৰ বাবে এক বিশেষ দিন। বিপিএফ দল হিচাপে আমি জন্মলগ্নৰ পৰাই এই দিনটো পালন কৰি আহিছো। বিটিচি চুক্তিৰ ক্ষেত্ৰত জড়িত প্ৰতিগৰাকী জীৱিত বা মৃত ব্যক্তিক সন্মান জনাইছো। আমি বিটিচি শাসন কৰা অৱস্থাৰ পৰাই এই দিৱস পালন কৰিছো। আশা কৰিছিলো বৰ্তমান যিসকল লোক বিটিচিত চৰকাৰ চলাই আছে তেওঁলোকেও আজিৰ এই দিৱসটো পালন কৰিব। কিন্তু তেওঁলোকে নতুন চুক্তি স্বাক্ষৰ হোৱাৰ পাছত বিটিচি চুক্তিৰ গুৰুত্ব নাই বুলি কয়।" যিহেতু তেতিয়াৰ বিটিচিখন বৰ্তমানেও বিটিচি হিচাপেই আছে গতিকে চৰকাৰখনেও আজিৰ এই দিৱসটো পালন কৰিব লাগিছিল বুলি ক্ষোভ প্ৰকাশ কৰে। কাৰ্যসূচীত এমচিএলএ ফ্ৰেচ মোচাহাৰী, জিলা বিপিএফৰ সাধাৰণ সম্পাদক ফাদাৰাম বড়ো, জেষ্ঠ বিপিএফ নেতা ৰবিনচন মোচাহাৰী উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাকুম্ভৰ পথত বিশ্বৰ দীৰ্ঘতম ৩০০

পদপিষ্ট হৈ ভক্তৰ মৃত্যুৰ পৰা দৈনিক সংঘটিত অগ্নিকাণ্ডৰ ঘটনাই কুম্ভমেলাত যোগী চৰকাৰৰ সুব্যৱস্থাপনাক লৈ প্ৰশ্নৰ উত্থাপন কৰিছে। ইয়াৰ মাজতে এইবাৰ প্ৰয়াগৰাজত ঘণ্টাৰ পিছত ঘণ্টা ধৰি নৰকযন্ত্ৰণা ভুগিবলগীয়া হ'ল লাখ লাখ লোকে। কুম্ভমেলা উপলক্ষ্যে সমাগম ঘটা ভক্তৰ ভিৰৰ পৰিপ্ৰেক্ষিতত দেওবাৰৰ পৰা সৃষ্টি হয় শ শ কিলোমিটাৰ পৰ্যন্ত যান-জঁটৰ। একাংশ খবৰ অনুসৰি ৩০০ কিলোমিটাৰ পৰ্যন্ত যান-জঁটৰ সৃষ্টি হৈছে প্ৰয়াগৰাজত। কাৰ্যতঃ প্ৰশাসনৰ ব্যৰ্থতাৰ বাবেই এই পৰিস্থিতিৰ উদ্ভৱ হোৱা বুলি অভিযোগ উত্থাপন হৈছে। লক্ষ্যণীয় যে, বসন্ত পঞ্চমীৰ অমৃত স্নানৰ পিছত কুম্ভমেলাত ভক্তৰ সমাগম হ্ৰাস পাব বুলি ভৱা হৈছিল যদিও প্ৰতিদিনে অধিক ভক্তৰ সমাগমে জনসমুদ্ৰৰ সৃষ্টি কৰিছে প্ৰয়াগৰাজত। ইফালে, অধিক ভক্তৰ সমাগমৰ পূৰ্বানুমা সত্বেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰাত সৃষ্টি হৈছে বিশৃংখল পৰিস্থিতিৰ। বিহাৰৰ পৰাই সৃষ্টি হোৱা যানজঁটত বহু লোক ৪৮ ঘণ্টাৰো অধিক সময় ধৰি আৱদ্ধ হৈ থকাৰ কথা পোহৰলৈ আহিছে। এই ট্ৰেফিক জামত আৱদ্ধ এজন লোকে কয় যে নেভিগেচন মেপে দেখুওৱা ভুল দিশৰ বাবেই এই বৃহৎ যান-জঁটৰ সৃষ্টি হৈছে। অধিকাংশ লোকে একেটা পথকেই লোৱাত পৰিস্থিতি অধিক জটিল হৈ পৰাৰ অভিযোগ উত্থাপন কৰিছে বহু লোকে। একে সময়তে কুম্ভমেলাৰ প্ৰৱেশ আৰু প্ৰস্থানক লৈ প্ৰশাসনৰ অপব্যৱস্থাপনাৰো অভিযোগ উত্থাপন হৈছে। এজন চালকে কয়, প্ৰয়াগৰাজৰ পৰা অহা-যোৱা কৰা বাহনসমূহক একেটা পথকে ব্যৱহাৰ কৰিবলৈ দিয়া হৈছে। অথচ প্ৰৱেশ-প্ৰস্থানৰ বাবে বহু বিকল্প পথো আছিল। প্ৰশাসনৰ দায়িত্বহীনতাৰ বাবেই এতিয়া মানুহবোৰে দুৰ্ভোগ ভুগিবলগীয়া হৈছে।" খবৰ অনুসৰি, এই ভংয়কৰ যান-জঁটৰ সুযোগ লৈছে একাংশ বাইক চালকে। ১০ কিলোমিটাৰ যাত্ৰাৰ বাবে পাঁচ হাজাৰ টকা পৰ্যন্ত ভাড়া লোৱাৰো খবৰ পোহৰলৈ আহিছে। উল্লেখ্য যে, যান-জঁটৰ গতি এনে এটা স্তৰত উপনীত হৈছে যে মধ্যপ্ৰদেশৰ কেইবাখনো জিলাত প্ৰয়াগৰাজ অভিমুখে যাতায়ত বন্ধ কৰিবলগীয়া হৈছে। আৰক্ষীৰ মতে, "২০০-৩০০ কিলোমিটাৰ যান-জঁটৰ বাবে প্ৰয়াগৰাজৰ দিশে যোৱাটো অসম্ভৱ হৈ পৰিছে।" ৰেৱা অঞ্চলৰ আই জি সাকেট প্ৰকাশ পাণ্ডেয়ে কয় যে সপ্তাহৰ শেষৰ ফালে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। কিন্তু আচল প্ৰশ্নটো হ'ল- উত্তৰ প্ৰদেশ প্ৰশাসন এই বিশাল জনসমাগমৰ বাবে সাজু আছিল নে নাই? কেইবা নিযুত মানুহ গোট খোৱাটো অভাৱনীয় আছিল নেকি? নে পৰিকল্পনাৰ অভাৱত ভক্তসকল এনে চৰম বিশৃংখলতাৰ সন্মুখীন হৈছে? বহুতে অভিযোগ কৰিছে যে প্ৰশাসনৰ বিফলতাৰ বাবে ৪৮ ঘণ্টাৰো অধিক সময় আবদ্ধ হৈ আছে, মাত্ৰ ৫০ কিলোমিটাৰ পথ অতিক্ৰম কৰিবলৈ ১০-১২ ঘণ্টা সময় লাগিছে। প্ৰয়াগৰাজলৈ যোৱা পথত বাৰাণসী, লক্ষ্ণৌ আৰু কানপুৰৰ পৰাও ২৫ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ যান-জঁটৰ বাতৰি পোৱা গৈছে। আনকি প্ৰয়াগৰাজ চহৰৰ ভিতৰতো প্ৰায় ৭ কিলোমিটাৰ এলেকাত একবৃহৎ যান-জঁটৰ সৃষ্টি হৈছে। ইফালে, পৰিস্থিতি চম্ভালিবলৈ বন্ধ কৰি দিয়া হৈছে প্ৰয়াগৰাজ সংগম ৰেল ষ্টেচন। ৰে'লৰেৰ বিষয়া কুলদীপ তিৱাৰীয়ে কয়, "বাহিৰত প্ৰচণ্ড ভিৰ হোৱাৰ বাবে যাত্ৰী প্ৰয়াগৰাজ সংগম ষ্টেচনৰ পৰা ওলাই আহিব পৰা নাই। সেয়েহে পৰিস্থিতি বিবেচনা কৰি ষ্টেচনটো সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে।" আপাততঃ প্ৰয়াগৰাজ জংচনত একমুখী যান-বাহন ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে, যাৰ ফলত প্ৰকৃততে ৰাইজৰ দুৰ্ভোগ বাঢ়িছেহে। এই চৰম অপব্যৱস্থাপনাৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰক প্ৰত্যক্ষভাৱে সমালোচনা কৰিছে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে। তেওঁ কয়, "কেৱল যান-জঁটৰ সমস্যাই নহয়, প্ৰয়াগৰাজ চহৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিও হৈছে। চৰকাৰ কেৱল অপপ্ৰচাৰত ব্যস্ত, প্ৰকৃত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।" কিন্তু এই বিশৃংখলতাৰ মাজতো অব্যাহত আছে কুম্ভমেলাত জনসমাগম। চৰকাৰী তথ্য অনুসৰি আজি সংগমত ৪৬ লাখৰো অধিক ভক্তই স্নান কৰে। বিগত এমাহ ধৰি চলি থকা মহা কুম্ভ মেলাত এতিয়ালৈকে প্ৰায় ৪৪ কোটি লোকে পবিত্ৰ স্নান কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত নিষিদ্ধ সকলো ধৰণৰ

আৰু ঝুমুৰ নৃত্য প্ৰদৰ্শনৰ পূৰ্বে দল-সংগঠন, তথা অন্যান্য অনুষ্ঠানৰ সকলো প্ৰকাৰৰ কুচকাৱাজ কঠোৰ হাতেৰে দমন কৰিবলৈ সম্ভম হৈছে অসম চৰকাৰ তথা আৰক্ষী-প্ৰশাসন। এডভাণ্টেজ আসাম আৰু ঝুমুৰ নৃত্য প্ৰদৰ্শনৰ পূৰ্বে চৰকাৰে বিৰোধী দল, জাতীয় সংগঠন তথা প্ৰতিষ্ঠানৰ তৎপৰতা সহ্য নকৰে। দেশ-বিদেশৰ আলহী-অতিথিৰ সন্মুখত গুৱাহাটীৰ পথত দল-সংগঠন, প্ৰতিষ্ঠানৰ সক্ৰিয়তাক দমন কৰিবলৈ সৰ্ব শক্তিৰে সাজু হৈছে অসম চৰকাৰ তথা গুৱাহাটী আৰক্ষী আৰু প্ৰশাসন। ৰাজধানী গুৱাহাটীত এতিয়াৰ পৰা উলিয়াব নোৱাৰিব কোনোধৰণৰ বিৰোধ মিছিল-শোভাযাত্ৰা। গুৱাহাটী আৰক্ষীয়ে ইয়াকে লৈ তাৎক্ষণিক নিষেধাজ্ঞা জাৰি কৰিছে। এদিন পূৰ্বে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে বিশ্ববিদ্যালয় সপ্তাহক লৈ উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাত আৰক্ষীয়ে বাধা দিয়াত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পিছতে আজি আৰক্ষীয়ে আনুষ্ঠানিক নিৰ্দেশনা প্ৰকাশ কৰি গুৱাহাটীত সকলো ধৰণৰ মিছিল, সমদল, সমাৱেশ শোভাযাত্ৰাত নিষেধাজ্ঞা জাৰি কৰিছে। যদি কোনো ব্যক্তি বা সংগঠনে ভাৰতীয় ন্যায় সংহিতা, ২০২৩ৰ ধাৰা ২২৩ মতে এই আদেশ উলংঘা কৰে তেন্তে গ্ৰেপ্তাৰ কৰা হ'ব আৰু শাস্তিৰ ব্যৱস্থা কৰা হ'ব হ'ব বুলি আৰক্ষীয়ে কঠোৰভাৱে নাগৰিকক সকীয়নি প্ৰদান কৰে। ১০ ফেব্ৰুৱাৰীৰ পৰা তৎক্ষণাৎ এই নিৰ্দেশনা অনিৰ্দিষ্ট কাললৈ কাৰ্যকৰী হ'ব। গুৱাহাটীত সকলো ধৰণৰ বিৰোধ মিছিল-শোভাযাত্ৰা নিষেধাজ্ঞা জাৰি কৰিছে গুৱাহাটী আৰক্ষীয়ে। নিৰ্দেশনাত স্পষ্টকৈ কোৱা হৈছে যে যাতায়তৰ সুবিধা আৰু জনসুৰক্ষাৰ স্বাৰ্থত সকলো বিৰোধ মিছিল-শোভাযাত্ৰাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তালয়ৰ আৰক্ষীৰ সহ-আৰক্ষী আয়ুক্ত ইমদাদ আলিয়ে (প্ৰশাসন) জাৰি কৰা এক নিৰ্দেশনাত এই কথা কোৱা হৈছে। গুৱাহাটী আৰক্ষীৰ সহ-আৰক্ষীআয়ুক্ত (প্ৰশাসন) ইমদাদ আলিয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ৰ ধাৰা ১৬৩ৰ অধীনত এই নিৰ্দেশ জাৰি কৰে। এই নিষেধাজ্ঞাৰ প্ৰধান কাৰণ হৈছে চহৰখনত যাতায়তৰ সুচল যাত্ৰা নিশ্চিত কৰা। চৰকাৰী বিবৃতিত উল্লেখ কৰা হৈছে যে মিছিল-শোভাযাত্ৰই যাতায়তত সমস্যাৰ সৃষ্টি কৰাৰ লগতে আৰু জনসাধাৰণৰ অসুবিধাৰ সৃষ্টি কৰে। ইয়াৰোপৰি জৰুৰী সেৱাসমূহকো বাধাগ্ৰস্ত হোৱাত জনসুৰক্ষাৰ কথা ভাবিয়েই এই সিদ্ধান্ত লোৱা হৈছে। যিকোনো ব্যক্তি বা সংস্থাই এই নিৰ্দেশৰ বিৰুদ্ধে আপত্তি থাকিলে লিখিতভাৱে সহ-আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত দাখিল কৰিব পাৰিব বুলিও নিৰ্দেশনাত কোৱা হৈছে। জনসাধাৰণৰ সুৰক্ষা আৰু সুবিধাৰ বাবে এই পদক্ষেপ অতি প্ৰয়োজনীয় বিবেচনা কৰা হৈছে। গুৱাহাটীত অনিৰ্দিষ্ট কাললৈকে শোভাযাত্ৰা বন্ধ কৰা সন্দৰ্ভত বীৰ লাচিত সেনা অসম আৰু ভূমি অধিকাৰ সংগ্ৰাম সমিতিয়ে তীব্ৰ সমালোচনা কৰিছে। চৰকাৰে হিটলাৰৰ শাসন চলাৰ অভিযোগ উত্থাপন কৰিছে ভূমি অধিকাৰ সংগ্ৰাম সমিতি আৰু বীৰ লাচিত সেনাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতি কৰা দিব্যাংগ মঞ্চৰ নেতা

অসম পোনপটীয়া নিযুক্তি পৰীক্ষা চমুকৈ এডিআৰই। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তিৰ বাবে পৰীক্ষা অনুষ্ঠিত হোৱাত একাংশ লোকে চাকৰি প্ৰদানৰ নামত বজাৰ বহুওৱাৰ অভিযোগ উত্থাপন হৈছে। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰি প্ৰদানৰ নামত একাংশ লোকে ধন সংগ্ৰহৰ অভিযোগ উত্থাপন হৈ আহিছে। তাৰ মাজতে সামাজিক মাধ্যমত ভাইৰেল হয় বিশেষ অডিঅ'। চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দি টকাৰ লেন-দেন কৰাৰ কথা স্পষ্ট হৈছিল অডিঅ'। দুজন লোকৰ কথোপকথনৰ অ'ডিঅ' ভাইৰেল হোৱাত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি আজি দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। চাকৰি দিয়াৰ নামত ধন সংগ্ৰহৰ অভিযোগত দিব্যাংগ মঞ্চৰ সভাপতি নৰজিৎ বৰ্মন, সম্পাদক ছেমিম আহমেদক নিশা গুৱাহাটী আৰক্ষীয়ে বৰাগাঁৰৰ পৰ গ্ৰেপ্তাৰ কৰে। দিব্যাংগ মঞ্চ অসমৰ দুয়োগৰাকী শীৰ্ষ নেতাই দিব্যাংগ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত পদত নিযুক্তি দিয়াৰ নামত ধন সংগ্ৰহ কৰিবলৈ বিভিন্ন পক্ষৰ সৈতে যোগাযোগ কৰিছিল। আনকি ফোনযোগে নিৰ্ধাৰণ কৰা ধন বিচাৰিছিল। সেই ফোনকল ৰেকৰ্ড কৰি ভাইৰেল কৰাত আৰক্ষীয়ে তদন্ত কৰি দুয়ো নেতা নৰজিৎ বৰ্মন, ছেমিম আহমেদক গ্ৰেপ্তাৰ কৰি তদন্ত আৰম্ভ কৰিছে। জানিব পৰা মতে, দিব্যাংগ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত পদসমূহত নিযুক্তিৰ নামত দিব্যাংগ মঞ্চ-অসমৰ নেতা ছেমিম আহমেদ আৰু নৰজিৎ বৰ্মনে প্ৰাৰ্থীৰ সৈতে যোগাযোগ কৰিছিল। দিব্যাংগ প্ৰাৰ্থীসকলৰ পৰা ২-৪ লাখ টকাকৈ লৈ চাকৰি দিবলৈ ঠিৰাং কৰিছিল। ফোনযোগে বিভিন্ন দিব্যাংগ পৰীক্ষাৰ্থীৰ সৈতে নিৰ্ধাৰণ কৰা টকা বিচাৰি যোগাযোগ কৰি গৈছিল। তাৰ মাজতে দুই এজন দিব্যাংগ পৰীক্ষাৰ্থীয়ে সেই ফোনকল ৰেকৰ্ড কৰি সামাজিক মাধ্যমত ভাইৰেল কৰে। লগতে সংবাদমাধ্যম যোগে কেইবাগৰাকী দিব্যাংগ পৰীক্ষাৰ্থীয়ে অভিযোগ দিবলৈ ওলাই আহে। কেইবাগৰাকী দিব্যাংগ লোকে পাণবজাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰ লাভৰ পিছতে সামাজিক মাধ্যমত অডিঅ' ভাইৰেল কৰা বিষয়টোক আৰক্ষীয়ে গুৰুত্বসহকাৰে লয়। গুৱাহাটী আৰক্ষীয়ে কণ্ঠস্বৰ দিব্যাংগ মঞ্চ-অসমৰ নেতা ছেমিম আহমেদ আৰু নৰজিৎ বৰ্মনৰ বুলি ঠিৰাং কৰে। গুৱাহাটী আৰক্ষীয়ে নিশা বৰগাঁৱত এটা ঘৰত অভিযান চলাই দুয়োজন নেতাক গ্ৰেপ্তাৰ কৰে। দুয়োজন নেতাক পাণবজাৰ থানালৈ আনি স্বাস্থ্য পৰীক্ষা কৰা হয়। তাৰ পিছতে সোধ-পোছ আৰম্ভ কৰে। আজি দিনৰ ভাগত আৰক্ষী থানাৰ বাহিৰত দুয়ো নেতাই কয় যে এই কাণ্ডত জড়িত ৰৌ-বৰালিক গ্ৰেপ্তাৰ কৰিব নোৱাৰি আমাক গ্ৰেপ্তাৰ কৰা হৈছে। জানিব পৰা মতে, ছেমিম আহমেদ আৰু নৰজিৎ বৰ্মনে নামনিৰ নলবাৰী, ধুবুৰী, কোকৰাঝাৰ আদি জিলাৰ দিব্যাংগ প্ৰাৰ্থীক চাকৰি দিয়াৰ আশা দি লাখ লাখ টকা সংগ্ৰহ কৰিবলৈ প্ৰয়াস কৰিছিল। সামাজিক মাধ্যমত ভাইৰেল হোৱা ফোনকলত দিব্যাংগ প্ৰাৰ্থীক চাকৰি দিয়াৰ আশ্বাস দি চাৰে চাৰি লাখ টকা পৰ্যন্ত সংগ্ৰহ কৰিব খোজাৰ কথা স্পষ্ট হৈছিল। ইমানে নহয় দিব্যাংগ প্ৰাৰ্থী চাকৰি নিশ্চিতভাৱে হ'ব বুলি দলিলত এক চুক্তি স্বাক্ষৰ কৰাৰ আশ্বাস দিছিল। কেৱল চুক্তিৰ সময়ত চাৰে চাৰি লাখ টকা প্ৰাৰ্থীয়ে আদায় দিব লাগিব। দিব্যাংগ মঞ্চ অসমৰ নেতা ছেমিম আহমেদ আৰু নৰজিৎ বৰ্মনক গ্ৰেপ্তাৰ কৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাঁচ ইউটিবাৰৰ বিৰুদ্ধে গোচৰ ৰুজু

ভিত্তিত গুৱাহাটীত দেশৰ ৫ ইউটিউবাৰৰ বিৰুদ্ধে ৰুজু হৈছে গোচৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে খোদ এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে, ইউটিউবাৰ আশীষ চাঞ্চলানি, জছপ্ৰীত সিং, অপূৰ্ব মাখিজা, ৰণবীৰ আল্লাবাদিয়া, সময় ৰাইনা আদিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। গোচৰৰ তদন্ত কৰিবলৈ আৰক্ষীক ইতিমধ্যে নিৰ্দেশ দিছে মুখ্যমন্ত্ৰীয়ে। অত্যাধিক যৌনগন্ধী কথা-বাৰ্তা আৰু নাৰী সমাজৰ শালীনতা হানি হোৱা কণ্টেণ্টেৰে ষ্টেণ্ড আপ কমেডি কৰি বিতৰ্কিত সোমাই পৰা সময় ৰাইনাৰ শ্ব' 'ইণ্ডিয়াছ গট লেটেণ্ট'ৰ শেহতীয়া খণ্ডৰ বিৰুদ্ধে দেশজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মাতৃ সমাজ, নাৰীৰ যৌনাংগক বিকৃত ৰূপত তুলি ধৰি কৌতুক কৰিছিল শেহতীয়া খণ্ডটোত। সকলো সীমা অতিক্ৰম কৰি যৌনতাক কণ্টেণ্ট কৰাত খণ্ডটো প্ৰচাৰ হোৱাৰ পিছতে মহাৰাষ্ট্ৰ চৰকাৰে গোচৰ ৰুজু কৰাৰ লগতে দেশৰ ৰাষ্ট্ৰীয় মহিলা আয়োগে গুৰুত্বসহকাৰে লয়। তাৰ মাজতে আজি অসমত গোচৰ ৰুজু কৰা হৈছে। দেশৰ ৫ ইউটিবাৰৰ বিৰুদ্ধে গুৱাহাটী ক্ৰাইম বাঞ্চত দাখিল হোৱা এজাহাৰৰ ভিত্তিত গোচৰ ৰুজু কৰা হৈছে। সামাজিক মাধ্যমত বিশেষ পোষ্ট দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে 'ইণ্ডিয়াজ গট লেটেণ্ট' নামৰ এটা অনুষ্ঠানত অশ্লীলতাৰ প্ৰচাৰৰ বাবে তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। ইণ্ডিয়াছ গট টেলেণ্টত অশ্লীল মন্তব্য কৰাৰ বাবে সময় ৰাইনা আৰু ৰণবীৰ আল্লাহবাদিয়াৰ বিৰুদ্ধে ইতিমধ্যে মুম্বাইত এজাহাৰ দাখিল কৰা হৈছে। অসমতো আশীষ চাঞ্চলানি, জশপ্ৰীত সিং, অপূৰ্ব মাখিজাৰ বিৰুদ্ধেও দাখিল কৰা হৈছে এজাহাৰ। গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে গুৱাহাটী অপৰাধ শাখাই। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে গুৱাহাটী আৰক্ষীয়ে ইউটিউবাৰ আশীষ চাঞ্চলানি, জছপ্ৰীত সিং, অপূৰ্ব মাখিজা, ৰণবীৰ আল্লাবাদিয়া, সময় ৰাইনা আদিৰ বিৰুদ্ধে এখন এজাহাৰ পঞ্জীয়ন কৰিছে। এই ক্ষেত্ৰত আজি পুৱাই ৰণবীৰ আল্লাবাদিয়াই ক্ষমা বিচাৰিছে। তেওঁ কয় যে মোৰ মন্তব্য সঠিক নাছিল আৰু ধেমেলিয়াও নাছিল। উল্লেখ্য যে, মুখ্যমন্ত্ৰীয়ে এক্সত পোষ্ট দি যিকেইগৰাকী ইউটিউবাৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ কথা প্ৰকাশ কৰিছে তাৰ ভিতৰৰ ৰণবীৰ আল্লাবাদিয়াক ভাৰত চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাতেৰে বিশেষ বঁটা প্ৰদান কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে ৰণবীৰ আল্লাবাদিয়াক নেচনেল ক্ৰিয়েটৰ্ছ বঁটা প্ৰদান কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪ চনৰ ৮ মাৰ্চত দিল্লীৰ ভাৰত মণ্ডপমত প্ৰথমবাৰৰ বাবে নেচনেল ক্ৰিয়েটৰ্ছ বঁটা প্ৰদান কৰিছিল। পুৰস্কৃত কৰা হৈছিল ৰণবীৰ আল্লাবাদিয়া, কামিয়া জানি, শ্ৰদ্ধা জৈন, আৰজে ৰৌনাক, অংকিত বৈয়ানপুৰীয়াক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুম্ভমেলাত মৃত্যু শিৱসাগৰৰ যুৱক

বাবুপট্টিৰ নিবাসী সুমিত খাণ্ডেলিয়া (৪৬) নামৰ এজন ব্যক্তি আজি দিনত উত্তৰ প্ৰদেশৰ প্ৰতাপগড় অঞ্চলত সংঘটিত এক পথ দুৰ্ঘটনাত নিহত হোৱাৰ বাতৰিয়ে শিৱসাগৰত শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা ৮ ফেব্ৰুৱাৰীৰ দিনা শিৱসাগৰ নগৰৰ বাবুপট্টিৰ শ্যাম ট্ৰেৰ্ডাছৰ স্বত্বাধিকাৰ ঔম প্ৰকাশ খাণ্ডেলিয়াৰ পুত্ৰ সুমিত খাণ্ডেলিয়াই পত্নীসহ পত্নীৰ ককায়েক-বৌৱেক, বায়েক-ভিনিহিয়েকৰ লগত একেলগে কুম্ভমেলালৈ গৈছিল। আজি পুৱা তেওঁলোকে কুম্ভমেলাত স্নান কৰিছিল। স্নান কৰাৰ পাছত তেওঁলোক দিনৰ ১-৩০ বজাত গাড়ীৰে অযোধ্যালৈ গৈছিল। প্ৰায় বিয়লি ৩ বজাত যাত্ৰা পথত আৰ্টিগা আৰু বলেৰ' গাড়ী দুখনৰ মাজত এক ভয়ানক সংঘৰ্ষ হয়। এই পথ দুৰ্ঘটনাত সুমিত খাণ্ডেলিয়া নিহত হোৱাৰ লগতে তেওঁৰ পত্নীসহ পৰিয়ালৰ সহযাত্ৰীসকল গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ব্যৱসায়ী তথা সৰবৰহী ব্যক্তি সুমিত খাণ্ডেলিয়াই পত্নী সহ এজন পুত্ৰ, পিতৃ-মাতৃ, ককায়েক-বৌৱেক, ভনীয়েক, ভতিজা আদিক এৰি থৈ গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# চৰকাৰ বিপিএফে গঠন কৰাটো খাটাং! বিটিচি দিৱসত পুনৰ দাবী হাগ্ৰামা মহিলাৰীৰ




**ই-সংবাদ, কোকৰাঝাৰ, ১০ ফেব্ৰুৱাৰীঃ** ২০০৩ চনৰ আজিৰ দিনটোতে অৰ্থাৎ ১০ ফেব্ৰুৱাৰীত সম্পন্ন হৈছিল ঐতিহাসিক বিটিচি চুক্তি। বিপিএফ দলে প্ৰতিবছৰে ১০ ফেব্ৰুৱাৰীৰ দিনটো বড়োলেণ্ড চুক্তি দিৱস বা বিটিচি চুক্তি দিৱস হিচাপে উদযাপন কৰি আহিছে। এইবাৰো বিপিএফ দলৰ উদ্যোগত কোকৰাঝাৰত ২৩ সংখ্যক বড়োলেণ্ড চুক্তি দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। সেই অনুসৰি আজি পুৱা ৯:০০ বজাত বিটিচি সচিবালয় প্ৰাংগণত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন আৰু পুষ্পাঞ্জলি তৰ্পণ কৰে বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে। বিটিচি সচিবালয় প্ৰাংগণত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছতে হাগ্ৰামা মহিলাৰী সদলবলে দেবৰগাঁওস্থিত বড়োলেণ্ড ছহিদ সমাধিক্ষেত্ৰত উপস্থিত হয় আৰু ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পিছত দেবৰগাঁওস্থিত বড়োলেণ্ড ছহিদ সমাধিক্ষেত্ৰতে থকা ২,৬২৪ গৰাকী ছহিদৰ সমাধিস্থলীত হাগ্ৰামা মহিলাৰীয়ে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে দেবৰগাঁওস্থিত বড়োলেণ্ড ছহিদ সমাধিক্ষেত্ৰতে দলীয় কৰ্মকৰ্তাক লৈ হাগ্ৰামা মহিলাৰীয়ে এক ছহিদ স্মৰণ সভাও অনুষ্ঠিত কৰে য'ত মহিলাৰীয়ে ছহিদৰ আত্মবলিদানক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে আৰু বিটিচি চুক্তিক ঐতিহাসিক বুলি আখ্যা দিয়ে। বিটিচি চুক্তি সম্পন্ন হোৱাত সকলো জাতি জনগোষ্ঠীৰ অৱদান আছে আৰু এই চুক্তিখন সাংবিধানিক চুক্তি আছিল আৰু বিটিচি চুক্তিয়ে অঞ্চলটোলৈ সৰ্বাংগীন উন্নয়ন সাধন কৰা বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। ইপিনে সংবাদ মাধ্যমৰ আগত হাগ্ৰামা মহিলাৰীয়ে কয় যে বিপিএফ পুনৰ শাসনলৈ ঘূৰি আহিব, ঘূৰি অহাটো নিশ্চিত। আজিৰ তাৰিখত নিৰ্বাচন হ'লে বিপিএফ দলে ৪০ খন আসনৰ ভিতৰত ২৫ খন আসন লাভ কৰিব। অকলে নিৰ্বাচন খেলি বিপিএফ শাসনলৈ অহাটো খাটাং আৰু ইয়াত কোনো শক্তিয়ে বাধা দিব নোৱাৰে বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। যোৱাবাৰ ১৭ খন আসন লাভ কৰিও চৰকাৰ গঠন কৰিব পৰা নাই ঠিকেই কিন্তু পৰিস্থিতি সদায় একে নাথাকে বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰীয়ে কয় এইবাৰ বিপিএফ দলে চৰকাৰ গঠন কৰিবই বুলি দাবী কৰিছে। প্ৰমোদ বড়োৱ ভালদৰে জানে যে এইবাৰ ইউপিপিএল দলে চৰকাৰ গঠন কৰিব নোৱাৰে আৰু সেয়েহে প্ৰমোদ বড়োৱে আবোল-তাবোল বলকা আৰম্ভ কৰিছে বুলি মন্তব্য কৰি চন্দন ব্ৰহ্ম, খাম্পা বৰগয়াৰীক ডেপুটেচনত ইউপিপিএললৈ পঠাই দিয়া হৈছে বুলি পুনৰবাৰৰ বাবে মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে। আমাৰ দলৰ হৈ চন্দন-খাম্পাই গুপ্তচৰৰ দৰেহে কাম কৰি আছে আৰু প্ৰমোদ বড়োৱে কি কি কাম কৰে মোক সদায় মেচেজ কৰি জনাই আছে বুলি মন্তব্য কৰি মহিলাৰীয়ে চন্দন ব্ৰহ্ম, খাম্পা বৰগয়াৰী সময় হ'লে পুনৰাই বিপিএফ দললৈ ঘূৰি আহিব বুলি মন্তব্য কৰিছে। আনহাতে ১৬ টা বিভাগ দিছপুৰক গতাই দিয়া বুলি প্ৰমোদ বড়োক সমালোচনা কৰি বিপিএফ শাসনত আহিলে পুনৰাই বিভাগসমূহ ঘূৰাই অনা হ'ব বুলি মন্তব্য কৰিছে। আনহাতে সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত হাগ্ৰামা মহিলাৰীয়ে কয় যে বৰ্তমানলৈকে বিটিচিৰ ৪০ টা সমষ্টিত ১০০ ৰো অধিক প্ৰাৰ্থীয়ে বিপিএফ দলৰ পৰা প্ৰাৰ্থিত্ব বিচাৰি আবেদন কৰিছে আৰু যিসকলে আবেদন কৰিবলৈ বাকী আছে, তেওঁলোকক অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত আবেদন কৰিবলৈ আহ্বান জনাইছে। হাগ্ৰামা মহিলাৰীয়ে চৰকাৰ গঠনৰ পিছত সাংবাদিককো সুবিধা দিয়া হ'ব বুলি ঘোষণা কৰিছে। উল্লেখ্য যে ২৩ সংখ্যক বড়োলেণ্ড চুক্তি দিৱস উপলক্ষে আজি ৰাতিপুৱা ফকিৰাগ্ৰাম, দোতমা, বনৰগাঁও, নাৰাবাৰী, ছালাকাটি, তিনালি বিপিএফৰ ব্লক কাৰ্যালয়ৰ পৰা দেবৰগাঁওলৈ মটৰচাইকেল ৰেলীও বাহিৰ কৰা হয়। আজিৰ অনুষ্ঠানত দলৰ সাধাৰণ সম্পাদক তথা প্ৰাক্তন বিধায়ক মনেশ্বৰ বড়ো, বিটিচিৰ বিৰোধী দলপতি দেৰহাছাৎ বসুমতাৰী, কংগ্ৰেছ এৰি পুনৰ বিপিএফত যোগদান কৰা প্ৰবীণ বড়ো, ৰাজেন ব্ৰহ্ম, সুপ্ৰিয়া ৰাণী ব্ৰহ্ম, উমাৰাণী ব্ৰহ্ম প্ৰমুখ্যে কেবাগৰাকী জ্যেষ্ঠ নেতা উপস্থিত আছিল। আজি দেৱৰগাওঁৰ ছহিদৰ সমাধিক্ষেত্ৰত আয়োজিত হোৱা অনুষ্ঠানত কেবা সহস্ৰাধিক সমৰ্থকেও অংশগ্ৰহণ কৰে।

# নগাঁৱত অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ১০ ফেব্ৰুৱাৰীঃ** "সাম্প্ৰতিক সময়ত লিখকসকলে সামাজিক দায়বদ্ধ হৈ লিখিলেহে সমাজৰ উপকাৰ হ'ব আৰু নিজৰো মানসিক উৎকৰ্ষ সাধন হ'ব" এই মন্তব্য নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি তথা বিশিষ্ট চিকিৎসক ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ। নগাঁও চহৰৰ আগশাৰীৰ শিক্ষানুষ্ঠান খাগৰিজান মহাবিদ্যালয়ৰ সভাগৃহত সাহিত্য-সংস্কৃতি প্ৰসাৰ আৰু প্ৰচাৰৰ লক্ষ্যৰে গঠিত সাহিত্যানুষ্ঠান অসমীয়া সাহিত্য সন্মিলনীৰ আজি অনুষ্ঠিত হোৱা দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত সভাপতিত্ব কৰি নিজৰ ভাষণ প্ৰসঙ্গত তেওঁ আৰু কয়, পাঠক সমাজেও আজিকালি বিচৰা হ'ল যে লিখকসকলে আমাক কি দিছে। নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ দিনযোৱা কাৰ্যসূচী পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে আৰু ইয়াৰ বন্তি প্ৰজ্বলনেৰে সভাৰ আৰম্ভণিতে কৰে বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে। ডা° ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিৰ উদ্যেশ্য আৰু ব্যাখ্যা কৰে সম্পাদিকা নিজৰা শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সন্মিলনীৰ ৰাজ্যিক সম্পাদিকা ড° শিখামণি শৰ্মাই অসমীয়া সাহিত্য সন্মিলনীৰ উদ্দেশ্য আৰু জন্মলগ্নৰ ইতিহাস ব্যাখ্যা কৰি কয় যে, "সন্মিলনীয়ে লিখক সৃষ্টি কৰাৰ লগতে পাঠক,বক্তা সৃষ্টি কৰাৰ কামত নিয়োজিত হৈ আহিছে।তেওঁ সন্মিলনীৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে সন্মিলনীৰ লগত জড়িত সকলক আহ্বান জনায়। সভাত সন্মিলনীৰ প্ৰয়াত সাহিত্যিক ড° সাগৰ বৰুৱা, সুৰেন বৰা,বিমল বৰা আৰু অকণমাই দেৱীৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰা হয়। সভাত দিপ্তী বৰা আৰু ময়ূৰী মহন্তই নিজৰ অনুভৱ ব্যক্ত কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা পৰিলক্ষিত হয়। মুকলি সভাখনত নগাঁও জিলাত থকা সাহিত্য সংগঠনসমূহৰ মাজত সমন্বয় সৃষ্টি কৰাৰ লক্ষ্যৰে সাহিত্য,সংস্কৃতি আৰু সাংবাদিকতাৰ লগত জড়িত ক্ৰমে, কলংপৰীয়া সাহিত্য সভাৰ সভাপতি,গোলাপ বৰা, মৌমাতৰ সম্পাদিকা,বন্দনা নাথ ঠাকুৰীয়া, ৰঙাজিঞ্জা শাখা কবি সাহিত্যৰ সম্পাদিকা,কবিতা বৰা,জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা আৰু দীপেন শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। সভাত অৰূপ কুমাৰ গোস্বামী,বেলা মোডী,জুৰি দেৱী, সবিতা ৰাণী মুক্তিয়াৰ দাস, আশুতোষ বিশ্বাস আদিয়ে কবিতা পাঠ কৰে।সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক ভদ্ৰকান্ত বৰাৰ লগতে গুৰুবচন সিং, গৌৰীবল্লভ গোস্বামী, মুকুল বৰা,সূৰ্য কুমাৰ বৰা, চেনিমাই মহন্ত আদিয়ে অংশগ্ৰহণ কৰে। সভাত ডা° শ্যামলিমাই এটি শ্ৰুতিমধুৰ গীত পৰিৱেশন কৰি উপস্থিত শ্ৰোতা-দৰ্শকক মন্ত্ৰমুগ্ধ কৰে।

# শিৱসাগৰ ছোৱালী কলেজৰ হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ দ্বিতীয় দিনা উখল-মাখল পৰিৱেশ

## অসমীয়াৰ সংজ্ঞাটো বিচাৰ-বিবেচনা কৰি উলিওৱাতো সম্ভৱ নহয়ঃ প্ৰশান্ত ৰাজগুৰু

**ই-সংবাদ, শিৱসাগৰ, ১০ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ আজি সামৰণি অনুষ্ঠানৰ দ্বিতীয় দিনা উখল-মাখল পৰিৱেশৰ মাজতেই পুৰা কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত তোযেশ্বৰ দত্তৰ আৱক্ষ মূৰ্তি উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক সোণাৰাম বৰুৱাৰ লগতে তোযেশ্বৰ দত্তৰ পৰিয়ালবৰ্গই। বৃক্ষৰোপন কৰে শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন মুখ্য সহায়ক ৰোহিত চন্দ্ৰ বৰাই। ইয়াৰ পিছতেই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰুতিধাৰা অসমৰ সহযোগত অনুষ্ঠিত হোৱা বীৰেন বৰকটকী স্মাৰক বক্তৃতানুষ্ঠানখনি অনুষ্ঠিত হয়। কলেজৰ অধ্যাপক প্ৰবীণ শৰ্মা আৰু কৃতাঞ্জলি কোঁৱৰে আঁত ধৰা অনুষ্ঠানটি উদ্বোধন কৰে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সৌমাৰজ্যোতি মহন্তই। শিৱসাগৰ ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি ড° যোগেশ বৰাই সঞ্চালনা কৰা উক্ত অনুষ্ঠানতে কলেজৰ অধ্যাপিকা ড° ৰশ্মিৰেখা গগৈয়ে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন বৰকটকীৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰাৰ উপৰিও তেখেতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰু, ড° যোগেশ বৰা, ড° সৌমাৰজ্যোতি মহন্ত, ড° প্ৰতিম শৰ্মা, দীপক বৰ্মনকে ধৰি ভালেকেইগৰাকী ব্যক্তিয়ে। ইয়াৰ পাছতেই 'সাম্প্ৰতিক সময়ত অসম, অসমীয়া আৰু আমাৰ ভৱিষ্যৎ' শীৰ্ষক বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি প্ৰাগ নিউজৰ মুখ্য সম্পাদক, বিশিষ্ট লেখক প্ৰশান্ত ৰাজগুৰুৱে কয় যে, অসম বুলি ক'লে তাৎক্ষণিকভাৱে অসমৰ মানচিত্ৰখন আহে। কোনো কাৰণতে অসমৰ মানুহৰ কথা মনত নপৰে। অসম বুলি দুটা ধাৰণা মনলৈ আহে। এটা হ'ল অসমৰ ভৌগোলিক অৱস্থান আৰু আনটো হ'ল অসমৰ মানুহবোৰ। সকলো জাতি বা সম্প্ৰদায়ৰ ওপৰত ইতিহাসৰ বোজা আছে। অসমৰ ভৌগোলিক অৱস্থানৰ কথা যদি ভাবো, আমাৰ বৰ বিশেষ চিন্তা নাই। কাৰণ অসমখন পুনৰ বিভাজন হোৱাৰ আশংকাৰ প্ৰতি মুহূৰ্ততে বিদ্যমান। এই কথা কোনো সচেতন নাগৰিকে অস্বীকাৰ কৰিব নোৱাৰে বুলি উল্লেখ কৰে। অসমীয়া আৰু বৰাক উপত্যাকাৰ বাঙালী দুয়োটা কিন্তু ভাষাকেন্দ্ৰিক জাতি। দুটা ভাষাকেন্দ্ৰিক জাতি এটা পৃষ্ঠভূমিত সুখে-শান্তিৰে বাস কৰি থকাতো অত্যন্ত চেলেঞ্জ, এইটো সম্ভৱ নহয় বুলি ৰাজগুৰুৱে মন্তব্য কৰে। অসমীয়াৰ সংজ্ঞা সন্দৰ্ভত তেওঁ কয় যে, অসমীয়াৰ সংজ্ঞাটো বিচাৰ-বিবেচনা কৰি উলিয়াবলৈ সম্ভৱ নহ'ব। কাৰণ প্ৰত্যেকৰে দৃষ্টিভংগী বেলেগ বেলেগ। ভাষাকেন্দ্ৰিক জাতি এটাৰ সমস্যা আছে। ভাষাকেন্দ্ৰিক জাতিটোক সদায়ে এটা জাতিয়তাবাদী চেতনাস্ৰোত বিৰাজমান হৈ থাকে। জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে বিদেশী সমস্যা আৰু অসম চুক্তিৰ সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়োৱাৰ লগতে তেখেতে উল্লেখ কৰে যে, অসমীয়া সমাজত বিলীন হৈ নোযোৱা আৰু বিলীন হ'ব নোখোজা জনগোষ্ঠীসমূহৰ লগত অসমীয়া সমাজখনৰ সু-শৃংখলিত, সংজ্ঞাবদ্ধ সংকল্প কেনে হোৱা উচিত বুলি উল্লেখ কৰি কয় যে, যিসকলক আমি নাগৰিক বুলি গ্ৰহণ কৰিলো তেওঁলোকক আমাৰ পৰিচয় দি অসমীয়া পৰিচয়েৰে গ্ৰহণ কৰিম নে নকৰিম সেই লৈ এক তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। অসমীয়াৰ ভৱিষ্যতৰ সম্পৰ্কত তেওঁ কয় যে, অসমীয়াৰ ভৱিষ্যত ভাল কাৰণ প্ৰত্যেকখন সমাজৰ এক নিৰ্দিষ্ট সময় থাকে। অসমীয়া সমাজখন উৎপাদনমুখী হৈছে। সমাজ নিজেই যেতিয়ালৈকে বিচলিত নহয়, পথচ্যুত নহয় তেতিয়ালৈকে অসমীয়াৰ ভৱিষ্যত উজ্জ্বল হৈ থাকিব বুলি জ্যেষ্ঠ সাংবাদিকজনে মন্তব্য কৰে। একেটা অনুষ্ঠানতেই স্মৃতিধাৰা অসমৰ তৰফৰ পৰা প্ৰতিগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে শিৱসাগৰ ছোৱালী কলেজলৈ বিশ হাজাৰ টকা অনুদান আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট লোক সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া, বিশিষ্ট শিক্ষাবিদ ড° হেমন্ত কুমাৰ ফুকন, স্মৃতিধাৰাৰ সভাপতি দীপক বৰ্মন, সম্পাদক ড° গুণাৰাম নাথ, ড° ভৱেন মহনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। অনুষ্ঠানৰ লগত সংগতি ৰাখি পল্লৱী ফুকনৰ সম্পাদনাত কলেজ আলোচনী প্ৰৱাহিনীৰ লগতে কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। বিয়লি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে।

# ডিগবৈ সাহিত্য সেৱা সমিতিৰ অধিৱেশন সম্পন্ন, নিৰূপমা গোস্বামী সভাপতি, জিতু বড়া সম্পাদক নিৰ্বাচিত

**ই-সংবাদ, ডিগবৈ ১০ ফেব্ৰুৱাৰীঃ** ডিগবৈ সাহিত্য সেৱা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখন ডিগবৈ প্ৰিয়দাস তালুকদাৰ স্মৃতি ভৱনত অনুষ্ঠিত হৈ যায়। অধিৱেশনত নিৰূপমা গোস্বামী সভাপতি আৰু ড° জিতু বড়াক সম্পাদক ৰূপে নিৰ্বাচিত কৰে। অধিৱেশনৰ লগতে সংগতি ৰাখি ফেব্ৰুৱাৰীত পুৰা পতাকা উত্তোলন কৰে সমিতি সভাপতি দ্বীপেন কুমাৰ বড়াই, স্মৃতি তৰ্পণ কৰে সম্পাদক অৰূপ কুমাৰ চংমায়ে। ইয়াৰ পাছতে মুকলি সভাখন ডিগবৈ সাহিত্য সেৱা সমিতিৰ শিল্পীসকলে পৰিবেশন কৰা চিৰ চেনেহী মোৰ ভাষা জননী গীতটিৰে শুভাৰম্ভ কৰা হয়। মুকলি সভাখন পৰিচালনা কৰে ২০২৫-২৬ বৰ্ষৰ বাবে নিৰ্বাচিত হোৱা সভাপতি নিৰুপমা গোস্বামীয়ে। সভা উপস্থিত থাকে ডিগবৈ সাহিত্য সেৱা সমিতিৰ প্ৰাক্তন সভাপতি প্ৰবীণ কুমাৰ বৰা, দিলীপ ভট্টাচাৰ্য্য, চিত্ৰলেখা বৰা, অবিভক্ত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক হিতেন শৰ্ম্মা, বালিজান-বৰজান শাখা সাহিত্য সভাৰ সভাপতি পিনাকী শইকীয়া আৰু ডিগবৈ মহাবিদ্যালয়ৰ সদ্য অৱসৰী অধ্যক্ষ ড০ দীপ শইকীয়া। অৰূপ কুমাৰ চংমাইয়ে আতধৰা সভাখনত স্বপ্না বৰগোহাঁইয়ে সম্পাদনা কৰা আলোচনী "ৰ'দালি" উন্মোচন কৰে হিতেন শৰ্ম্মাই। ডিগবৈ সাহিত্য সেৱা সমিতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে চিত্ৰলেখা বৰাক "পৰম সুহৃদ বঁটা" প্ৰদান কৰা হয়। সদ্য অৱসৰ গ্ৰহণ কৰা ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দীপ শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। ডিগবৈ সাহিত্য সেৱা সমিতিৰ শৈক্ষিক ন্যাস পুঁজিলৈ ২ লাখ টকা আগবঢ়োৱাৰ বাবে দীপেন কুমাৰ বড়াক সম্বৰ্ধনা জনোৱা হয়। এই সভাতে নতুন সমিতিখনক আনুষ্ঠানিক ভাৱে দায়িত্ব ভাৰ প্ৰদান কৰে । শলাগৰ শৰাই আগবঢ়াই নৱ নিৰ্বাচিত সম্পাদক ড০ জিতু বড়াই।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# মা মহামায়া স্নানঘাট মন্দিৰত তিনি দিনীয়া শক্তি যজ্ঞানুষ্ঠান

**ই-সংবাদ, পৰ্বতঝোৰা, ১০ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ খোৰাঘাটস্থিত মা মহামায়া স্নানঘাট মন্দিৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ৩০ সংখ্যক বাৰ্ষিক যজ্ঞানুষ্ঠান বিশাল ধৰ্মীয় আৰু সাংস্কৃতিক শোভাযাত্ৰাৰে শুভাৰম্ভ হয়। কাৰ্যসূচী অনুসৰি আজি পুৱা বগৰীবাৰী ঐতিহাসিক ২৫ হাত কালী মন্দিৰৰ পৰা ধৰ্মীয় আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ পদব্ৰজে গৈ সাত কিঃ মিঃ নিলগত থকা ঐতিহাসিক মা মহামায়া স্নানঘাট মন্দিৰৰ কাষতে থকা টিপকাই নৈৰ পাৰত উপস্থিত হয়। পিছত ভক্তসকলে ধৰ্মীয় ৰীতি-নীতি অনুসৰি টিপকাই নৈৰ পৰা পানী তুলি যজ্ঞস্থলীত উপস্থিত হয়। পিছত বিজ্ঞ পুৰোহিতসকলে বৈদিক মন্ত্ৰ উচ্চাৰণৰ যোগেদি সূৰ্যৰ ৰশ্মিৰ পৰা অগ্নি আৰোহণ কৰি ব্যাপক উৰুলি আৰু জয় ধ্বনিৰ জৰিয়তে যজ্ঞ কুণ্ডত অগ্নি সংযোগ কৰে। পিছত ব্ৰাহ্মণ, পুৰোহিতসকলে বৈদিক মন্ত্ৰ উচ্চাৰণৰ যোগেদি যজ্ঞস্থলী প্ৰজ্জ্বলিত কৰে। উল্লেখ্য যে, টিপকাইৰ দাঁতিতে লাগি থকা ঐতিহাসিক মা মহামায়া মন্দিৰত প্ৰতি বছৰৰ দৰে এইবেলিও বিশ্ব শান্তিৰ বাবে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে যজ্ঞানুষ্ঠান অনুষ্ঠিত কৰিছে। এই অনুষ্ঠান ১২ ফেব্ৰুৱাৰীলৈকে চলিব। কাইলৈ অৰ্থাৎ ১১ ফেব্ৰুৱাৰীত পুৱা ৮ বজাৰ পৰা দ্বিতীয় দিনাৰ শক্তিযজ্ঞানুষ্ঠান আৰু বিশ্ব শান্তিৰ বাবে বিশেষ পূজা অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা বাৰ্ষী পূজা অনুষ্ঠিত হ'ব। পিছত আবেলি সত্য নাৰায়ণ পূজা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। শেষৰ দিনাৰ কাৰ্যসূচী অনুসৰি বিশ্ব শান্তিৰ বাবে যজ্ঞানুষ্ঠান আৰু এক বজাত যজ্ঞৰ পূৰ্ণাহুতি অনুষ্ঠিত হ'ব। এই উপলক্ষে এই শক্তিযজ্ঞ পৰিচালনাৰ বাবে সত্যম দাসক সভাপতি, মানিক চান্দ জৈনক কাৰ্যকৰী সভাপতি, বিজয় কুমাৰ অধিকাৰীক সম্পাদক হিচাপে লৈ এক শক্তিশালী কমিটী গঠন কৰা হয়। উল্লেখ্য যে, চাৰিশ বছৰ পূৰ্বে পৰ্বতজোৱাৰ ষ্টেটৰ জমিদাৰ হাতিবৰ চৌধুৰীৰ দিনতে মহামায়া পাহাৰত মা মহামায়াৰ অবিৰ্ভাৱ হৈছিল বুলি ৰাইজৰ মাজত প্ৰবাদ আছে। কিন্তু ১৯৯৩ চনত গুৱাহাটীৰ পৰা অহা সাধক প্ৰয়াত অমৰেন্দ্ৰ বৰদলৈয়ে মা মহামায়াৰ স্বপ্নাদেশ লাভ কৰি পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত খোৰাঘাটত থকা মহামায়া স্নানঘাট মন্দিৰত উপস্থিতি হৈ স্নানঘাটৰ দীৰ্ঘেশ্বৰ দেৱীৰ পূজা আৰম্ভ কৰে। লগতে ১৯৯৫ চনৰ পৰা সাধক অমৰেন্দ্ৰ বৰদলৈৰ তত্ত্বাবধানত আৰু অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত বিশ্ব শান্তিৰ বাবে শক্তি যজ্ঞানুষ্ঠান প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। তেতিয়াৰ পৰা এই স্নানঘাট মন্দিৰত এই শক্তি যজ্ঞানুষ্ঠান পালন কৰি অহা হৈছে।

## সন্তানক বিদ্যালয়লৈ লৈ গৈ থাকোতে মহতিয়াই নিলে ট্ৰেক্টৰে

# মাজুলী জিলা প্ৰশাসনৰ কঠোৰ নিৰ্দেশ নামানে ট্ৰেক্টৰ মালিক, চালকে

**ই-সংবাদ বিশেষ, ই-সংবাদ, মাজুলী, ১০ ফেব্ৰুৱাৰীঃ** মাজুলী জিলা প্ৰশাসনে বাৰম্বাৰ কঠোৰ নিৰ্দেশ দিয়াৰ পাছতো বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰা সময়তো বন্ধ নহ'ল ট্ৰেক্টৰ আৰু ডাম্পাৰৰ দৌৰাত্ম্য। মাজুলী জিলাৰ তদানীন্তন জিলা উপায়ুক্ত পুলক মহন্ত, ডঃ কাবেৰী বি শৰ্মা আৰু বৰ্তমানৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰাৰ সময়ত ট্ৰেক্টৰ-ডাম্পাৰৰ চলাচল বন্ধ কৰি কেইবাবাৰো নিৰ্দেশ দিয়ে যদিও সেই নিৰ্দেশনা পালন নকৰে মাজুলীৰ ট্ৰেক্টৰ-ডাম্পাৰৰ চালক আৰু মালিকে। জিলা প্ৰশাসনৰ উক্ত নিৰ্দেশনা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত মাজুলীৰ আৰক্ষী আৰু পৰিবহণ বিভাগ সচেতন নোহোৱাৰ বাবে জিলাখনত ট্ৰেক্টৰ ডাম্পাৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে। আজিও এখন নম্বৰবিহীন, তীব্ৰ গতিৰ ট্ৰেক্টৰে নামনি মাজুলীৰ গোৱালগাঁও পহুপৰাত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত কৰে। উক্ত দুৰ্ঘটনাত জোনাকী জাতীয় বিদ্যালয়লৈ নিজৰ সন্তানক স্কুটীত আনি থাকোঁতে ট্ৰেক্টৰে স্কুটীসহ মাতৃ আৰু সন্তানক বহুদূৰলৈ চোঁচোৰাই লৈ যায়। আজি পুৱা ৮.৩০ বজাত নামনি মাজুলীৰ ভালুকমৰা-কাৰ্গিল গাঁৱৰ টুলুমণি শইকীয়াৰ পত্নী পৰী শইকীয়াই নিজৰ মুকুল শ্ৰেণীত পঢ়ি থকা সত্যজিত শইকীয়াক স্কুটীৰে বিদ্যালয়লৈ লৈ গৈ আছিল। পৰী শইকীয়াই নৰকমল বৰা নামৰ নিজৰ এজন ভতিজাকো স্কুটীত উঠাই জোনাকী জাতীয় বিদ্যালয়লৈ গৈ আছিল। নিজৰ ঘৰৰ পৰা কাৰ্গিল ভালুকমৰা পথেৰে মাতৃ পৰী শইকীয়াই দুই ছাত্ৰ সন্তানক স্কুটীত লৈ গৈ আছিল। এ এছ-০৭ জেড-০৭৪৬ নম্বৰৰ হোন্দা স্কুটীখন লৈ মাতৃয়ে গোৱালগাঁও পহুমৰা গড়কাপ্তানী পথত উঠোতেই সন্মুখৰ পৰা অহা এখন তীব্ৰ বেগী ট্ৰেক্টৰে স্কুটীখনক খুন্দা মাৰে আৰু অলপ দূৰলৈ চোঁচোৰাই লৈ যায়। পৰী শইকীয়াই চলাই অহা স্কুটীখনৰ সন্মুখ ভাগটো ভাগি চুৰমাৰ হয় আৰু পৰী শইকীয়াৰ সোঁ ভৰিখন সম্পূৰ্ণৰূপে ভাগি যায়। পৰীৰ পুত্ৰ সত্যজিত আৰু ভতিজা নৰকমল উক্ত দুৰ্ঘটনাত মুৰ, চকু, মুখ, হাত আৰু ভৰিত আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে দুৰ্ঘটনাৰ শব্দ বহু দূৰলৈকে স্থানীয় ৰাইজে শুনিছিল। দুৰ্ঘটনা সংঘটিত কৰা নম্বৰবিহীন ট্ৰেক্টৰখন স্থানীয় ৰাইজে আৱদ্ধ কৰে আৰু স্থানীয় বালিচাপৰি আৰক্ষী আউটপোষ্টৰ আৰক্ষীক খবৰ দিয়ে। বালিচাপৰি আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন শইকীয়াৰ নেতৃত্বত আৰক্ষী আহি উক্ত ট্ৰেক্টৰ আৰু চালকক আটক কৰি বালিচাপৰি আউটপোষ্টলৈ লৈ যায়। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰেক্টৰখন মধ্য মাজুলীৰ শেনচোৱা বালিচাপৰিৰ বিদ্যুত দাসৰ বুলি জানিব পৰা গৈছে। ৰুণুচুকৰ বিমল নাটে নামৰ চালকজনে চলাই আহি উক্ত দুৰ্ঘটনা সংঘটিত কৰে।ট্ৰেক্টৰখনবালিচাপৰিৰ তিনিআলিৰ



দিশত যাব লাগিছিল যদিও ৰাস্তা ভুল কৰি গোৱালগাঁও পহুমৰা পথেৰে কাৰ্গিল দিশলৈ গুচি আহে। কাৰ্গিল পহুমৰাৰ কেঁকুৰিত তীব্ৰ বেগেৰে চলাই অহা ট্ৰেক্টৰখনে সন্মুখৰ পৰা স্কুটীখন মহটিয়াই নিয়ে। দুৰ্ঘটনাস্থলীৰ পৰা স্থানীয় ৰাইজে আহত তিনিওগৰাকীক নিবলৈ ১০৮ এম্বুলেন্স সেৱাক বাৰম্বাৰ ফোন কৰে যদিও সেই সময়ত অঞ্চলটোত এখনো ১০৮ এম্বুলেন্স নাই বুলি বিভাগটোৱে জানিবলৈ দিয়ে। ফলত, স্থানীয় ৰাইজে এজন যুৱকৰ ব্যক্তিগত গাড়ীত গড়মূৰ পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জিলা চিকিৎসালয়ত ভৰ্তি কৰাৰ পাছত পৰী শইকীয়া, সত্যজিত শইকীয়া আৰু নৰকমল বৰাক যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে।
উল্লেখ্য যে, আজি উক্ত দুৰ্ঘটনা সংঘটিত হোৱা পথেৰে ৯.৩০ বজাত মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক ভালুকমৰালৈ গৈছিল। তেতিয়া স্থানীয় ৰাইজে জিলা আয়ুক্ত গৰাকীক ৰখাই আৰু দুৰ্ঘটনাৰ সবিশেষ জনায়। দুৰ্ঘটনাস্থলীত ১০৮ এম্বুলেন্স সেৱাই এম্বুলেন্স গাড়ী অহাত পলম হ'ব বুলি জনোৱা বুলি কোৱাত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে তৎক্ষণাৎ ১০৮ এম্বুলেন্স সেৱাৰ উচ্চ পৰ্যায়ৰ বিষয়াৰ লগত যোগাযোগ কৰে আৰু নামনি মাজুলীৰ গোৱালগাঁও পহুমৰালৈ ১০৮ এম্বুলেন্স কিয় নাহিল, তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ মাজুলীত ১০৮ৰ সকলো চালকক তৎপৰতাৰে সেৱা আগবঢ়োৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ১০৮ ৰ উৰ্ধতম কৰ্তৃপক্ষক আহ্বান জনায়। লগতে, জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰাৰ সময়ত চলাচল কৰা সকলো ট্ৰেক্টৰ ডাম্পাৰ জব্দ কৰিবলৈ দুৰ্ঘটনাস্থলীৰ পৰা মাজুলীৰ জিলা পৰিবহণ বিষয়াক নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে আজি বিয়লি তিনি বজাত মাজুলীৰ সকলো ট্ৰেক্টৰ আৰু ডাম্পাৰৰ মালিকসকলক মাতি এখন জৰুৰী মিটিং দিবলৈ পৰিবহণ বিষয়াক নিৰ্দেশ দিয়ে। সম্প্ৰতি সংকটজনক অৱস্থাত মাতৃ, পুত্ৰ আৰু ভতিজাক যোৰহাট মেডিকেল কলেজ হাস্পতালত ভৰ্তি হৈ আছে।

# মৈৰাবাৰীত সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান

**ই-সংবাদ, মৈৰাবাৰী, ১০ ফেব্ৰুৱাৰীঃ** ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে বিশেষকৈ মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰু সময়ে সময়ে অন্যান্য স্থানতো নিয়মীয়াকৈ অনুষ্ঠিত হোৱা সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা' আজি আবেলি প্ৰায় ৪ বজাত মৈৰাবাৰী কলেজ ৰোডস্থিত খাইৰ প্ৰকাশনৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। ফেব্ৰুৱাৰী মাহৰ 'বাটৰ কবিতা' অনুষ্ঠানটো সঞ্চালনা কৰে বিশিষ্ট কবি, লেখক খাইৰুল ইছলামে আৰু উদ্দেশ্য ব্যাখ্যা কৰে বিশিষ্ট কবি, লেখক মুহাম্মাদ আফজালে। অনুষ্ঠানত কবিতা পাঠ কৰে কবি মুহাম্মাদ আফজাল, আশ্ৰাফুল হক আৰু খাইৰুল ইছলামে, গীত পৰিৱেশন কৰে শিক্ষক মোশ্বাৰফ হুছেইন, শিক্ষক জিন্নাতুল ইছলাম আৰু কবি আশ্ৰাফুল হকে, লগতে কবিতা আবৃত্তি কৰে স্কুলীয়া বিদ্যাৰ্থী নাহিদ আফ্ৰিন আৰু লানিকাই।

# কাকপথাৰ গণ বিস্ফোৰণত শ্বহীদৰ পৱিত্ৰ স্মৃতিত সংকল্প দিৱস পালন

**ই-সংবাদ, কাকপথাৰ, ১০ ফেব্ৰুৱাৰীঃ** সমগ্ৰ অসমক জোকাৰি গৈছিল ২০০৬ চনৰ অজিত মহন্তৰ হত্যাকাণ্ডই। ভাৰতীয় সেনাৰ ১৩ নং গোৰ্খা ৰেজিমেণ্টৰ এটা দলে বৰডুমছা থানাৰ অন্তৰ্গত ডিৰাক সোনজানৰ দুটি এমা ডিমা সন্তানৰ পিতৃ ২৩ বছৰীয়া মহন্তক ৪ ফেব্ৰুৱাৰী আটক কৰি নি ৬ ফেব্ৰুৱাৰীত পৰিয়ালৰ অজ্ঞাতে মৰণোত্তৰ পৰীক্ষা কৰি পিছত মৃতদেহ ঘূৰাই দিয়া কাৰ্যৰ প্ৰতিবাদত স্থানীয় ৰাইজে ৭ ফেব্ৰুৱাৰীত অজিত মহন্তৰ হত্যাৰ ন্যায়সংগত বিচাৰ আৰু দোষীয়ে উপযুক্ত শাস্তি পোৱাৰ দাবীত পথ অৱৰোধ কৰে। বিক্ষোভ কাৰ্যসূচী আৰম্ভ কৰে যদিও চৰকাৰী কৰ্তৃপক্ষই কোনো সহাঁৰি নজনোৱাত ১০ ফেব্ৰুৱাৰী তাৰিখে পঞ্চাশ হাজাৰৰো অধিক প্ৰতিবাদী লোকে কাকপথাৰত বিক্ষোভ কাৰ্যসূচী ল'বলৈ আহোঁতে কাকপথাৰ ওপৰ ওৱন গাঁৱত চৰকাৰৰ দ্বাৰা নিয়োজিত নিৰাপত্তাৰক্ষীৰ নিৰ্বিচাৰ গুলীবৰ্ষণত ৯ জনকৈ নিৰপৰাধী লোকৰ প্ৰাণ যোৱা ঘটনাক আজিও পাহৰিব পৰা নাই কাকপথাৰবাসী ৰাইজে। গণতান্ত্ৰিক দেশ এখনত জনতাই গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যাওঁতে খোদ নিজ দেশৰ নিৰাপত্তাৰক্ষীয়ে তপত সীহৰ বুলেট চলোৱা ঘটনা ইতিহাসত বিৰল। ২০০৬ চনৰ আজিৰ দিনটোতে কাকপথাৰত ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হৈছিল ৯ জনকৈ নিৰপৰাধী ব্যক্তি। ডিৰাক সোনজানৰ অজিত মহন্ত নামৰ ব্যক্তিজনক সেনাবাহিনীয়ে হত্যা কৰাৰ প্ৰতিবাদত কেইবাদিনো পথ অৱৰোধ কৰাৰ অন্তত কাকপথাৰৰ অভিমুখী প্ৰতিবাদকাৰীৰ ওপৰত নিৰ্বীচাৰ গুলীচালনা কৰিছিল সেনাবাহিনীয়ে। থিতাতে নিহত হৈছিল ৮ জন আৰু উন্নত চিকিৎসাৰ বাবে দিল্লীলৈ নিয়া মনিকা মৰাণ দিল্লী এইছত ৪৫ দিন মৃত্যুৰ সৈতে যুঁজ দি নিয়তিৰ ওচৰত হাৰ মানে, লগতে বহু ব্যক্তি আহত হৈছিল । ভাৰতীয় অৰ্ধ সামৰিক বাহিনী নিৰ্বিচাৰ গুলীবৰ্ষণত নিহত হোৱাসকল ক্ৰমে মাধুৰ্য গোহাঁই, দিপন মৰাণ, অনিন্দিতা মুণ্ডা, বিউটী গোহাঁই, কুঞ্জলতা মৰাণ, পখিলী বৰা, ৰাহিদা আহমেদ আৰু গোলাপ বাইলুং। সমগ্ৰ ঘটনাটোত সৰ্বমুঠ ১০ গৰাকী মৃত্যু হৈছিল। ৰাজ্যৰ বিভিন্ন দল-সংগঠনে সেইসময়ত মৃতসকলক জাতীয় শ্বহীদ ঘোষণা কৰিছিল। ৰাজ্য চৰকাৰে ঘোষণা কৰা মতে মৃতসকলৰ পৰিয়ালবৰ্গলৈ এটাকৈ চৰকাৰী চাকৰি আৰু আহতসকলক এককালিন সাহায্য আগবঢ়ালে। কিন্তু বৰ্তমান পাহৰণিৰ গৰ্ভত শ্বহীদসকল। শ্বহীদ বেদিসমূহৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। আজি ২০ টা বৰ্ষ অতিক্ৰম কৰা সময়ত মাত্ৰ কেইটামান দল-সংগঠনৰ কেইজনমান নেতাই স্মৰণ কৰিলে জাতীয় শ্বহীদসকলক। আকৌ সংকল্প ল'লে শ্বহীদসকলৰ স্মৃতি জীয়াই ৰখাৰ। শ্বহীদসকলৰ অধিকাংশ আত্মীয়ৰো সময় নাই এবাৰ স্মৰণ কৰিবলৈ। সেইসময়ত সংকল্প গ্ৰহণ কৰা ছাত্ৰ নেতাসকল বৰ্তমান বিভিন্ন ৰাজনৈতিক দলৰ বিয়াগোম বিয়াগোম নেতা নাইবা নামি দামী ঠিকাদাৰ, কিন্তু মনত পেলাবলৈ আহৰি নাই জাতীয় শ্বহীদসকলক। শ্বহীদ বেদীসমূহ ভালকৈ নিৰ্মাণ কৰি তেওঁলোকৰ স্মৃতি জীয়াই ৰখাৰ আহ্বান জনাইছে সচেতন মহলে। আজিৰ সংকল্প দিৱসত উপস্থিত থাকে সদৌ মৰাণ ছাত্ৰ সন্থা কাকপথাৰ আৰু ডিৰাক আঞ্চলিক সমিতি, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সমিতি আৰু ডিৰাক আঞ্চলিক সমিতি, কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে স্থানীয় সমাজ সচেতন লোক।

# বাইহাটা শতদল সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১০ ফেব্ৰুৱাৰীঃ** বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ অষ্টবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশন ক্ষুদ্ৰ পলহা জগদ্ধাত্ৰী ক্ষেত্ৰত যোৱা ৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ যায়। সেইমৰ্মে উক্তদিনা বিয়লি অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বজালী পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ধনপতি ডেকাই। বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ বিদায়ী সভাপতি ইউনিছ আহমেদৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভাত জনজাতীয় ভাই-ভনীসকলে অসমীয়া ভাষা শুদ্ধ ৰূপত উপস্থাপন কৰিব পৰাকৈ অসম সাহিত্য সভাই কাম কৰিব লাগিব উল্লেখ কৰি অনুবাদ সাহিত্যৰে ভাষাটোক আগবঢ়ায় নিয়াৰ দিশত বিভিন্ন পৰামৰ্শ আগবঢ়ায় উদ্বোধক উপাচাৰ্য ড০ ধনপতি ডেকাই। ইয়াৰ পিছত বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি কৃষ্ণ কান্ত কলিতাই ২০২৫-২৭ বৰ্ষৰ বাবে সভাপতিৰ দায়িত্ব গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। অগ্নিনিৰ্বাপক বাহিনীৰ সঞ্চালক তথা বিশিষ্ট লেখক সু-বক্তা হিচাপে পৰিচিত ড০ নন্দ সিং বৰকলা মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিজৰ ভাষণত অসম সাহিত্য সভাৰ দাপোণ নিকা আৰু স্বচ্ছ হৈ থাকিব লাগিব বুলি উল্লেখ কৰি বৰকলাই কয় যে কিছু বছৰ ধৰি অসম সাহিত্য সভাৰ প্ৰতি ৰাইজৰ নানা অভিযোগ উত্থাপিত হৈ আছে। সেই বিলাক কথা অসম সাহিত্য সভাই অনুধাৱন কৰি সংস্কাৰ কৰিব পাৰিব লাগিব বুলি উল্লেখ কৰে। মুকলি সভাত বাইহাটা চাৰিআলি শতদল সাহিত্য সভাই এইবাৰ বাইহাটা চাৰিআলিৰ সমাজ জীৱনৰ অগ্ৰণী সেনানী, প্ৰাক্তন বিধায়ক দৈৱশক্তি ডেকা (মৰণোত্তৰভাৱে) আৰু আগডলা চাৰিআলি হাইস্কুলৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক, সমাজকৰ্মী মজনুৰ আলীক প্ৰদান কৰা হয়। মুকলি সভাত প্ৰজাপতি ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয় বাইহাটা চাৰিআলি কেন্দ্ৰৰ সঞ্চালিকা স্মৃতি ফুকন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাহিত্য সভাৰ উপদেশমূলক বক্তব্য আগবঢ়ায়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই বাইহাটা চাৰিআলি সাহিত্য সভাৰ পত্ৰিকা উন্মোচন কৰাৰ লগতে প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই বিদায়ী সভাপতি ইউনিছ আহমেদৰ কবিতা পুথি অনুৰাগ অনুভৱ আৰু গণেশ চন্দ্ৰ কাকতিৰ নাগাৰা নাম উন্মোচন কৰে। ইফালে, পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে সভাপতি ইউনিছ আহমেদে। পুৱা ১১ বজাত বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি কৃষ্ণকান্ত কলিতাক এক আকৰ্ষণীয় সাংস্কৃতিক শোভাযাত্ৰাৰে জগদ্ধাত্ৰী ক্ষেত্ৰলৈ আদৰি নিয়া হয়। উল্লেখ্য যে বাইহাটা চাৰিআলি শতদল সাহিত্য সভাৰ কালি নিশা অনুষ্ঠিত বিষয় বাছনি সভাত নতুন সাহিত্যিকৰ চুটি গল্প, কবিতা, উপন্যাস লেখকৰ শ্ৰেষ্ঠজনক ৫০০০টকাকৈ ৩ বছৰৰ বাবে দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে বিশিষ্ট সমাজকৰ্মী ব্ৰহ্মপুত্ৰ বিজ্ঞান বিদ্যালয়ৰ অধ্যক্ষ কিৰণ চন্দ্ৰ কাকতিয়ে।

# সীমান্তৰ সত্ৰশালত বিএছএফৰ চিভিক একচন প্ৰগ্ৰেমত সামগ্ৰী বিতৰণ



**ই-সংবাদ, গোলকগঞ্জ, ১০ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ ভাৰত বাংলাদেশ সীমান্তৰ সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যাপীঠৰ খেলপথাৰত আজি বিএছএফৰ ৩১ নং বেটেলিয়নৰ উদ্যোগত চিভিক একচন প্ৰগ্ৰাম অনুষ্ঠিত হয়। ভাৰত বাংলাদেশ সীমান্তৰ নিৰাপত্তাৰ দায়িত্বত থকা বিএছএফৰ লগত সীমান্তবাসী ৰাইজৰ সমন্ধ অধিক দৃঢ় কৰাৰ উদ্দেশ্যে সীমান্ত অঞ্চলত বিএছএফে মাজে সময়ে চিভিক একচন প্ৰগ্ৰামৰ জড়িয়তে মনোৰঞ্জনৰ লগতে বিভিন্ন সা সামগ্ৰী বিতৰণ কৰে। আজি ৰঙা ফিটা কাটি অনুষ্ঠানৰ উদ্বোধন কৰে পানবাৰী স্থিত ৩১ নং বেটেলিয়নৰ কমাণ্ডেন অজয় কুমাৰ সিং। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জীৱন নিৰ্বাহৰ বাবে মহিলাৰ মাজত চিলাই মেচিন, যুৱক সকলৰ মাজত মৌ মাখি পালনৰ বাকচ,প মৌ মাখি পালনৰ সা সৰঞ্জাম বিতৰণ কৰা হয়। স্থানীয় বিদ্যালয় আৰু ক্লাৱ সমূহত গৰম আৰু বিশুদ্ধ ঠাণ্ডা পানীৰ ডিচপেনচাৰ , বোৰ্ড, বেডমিণ্টন খেলৰ নেট, ৰেকেট, ছাটেল কক, স্কুল বেগ, বহী, পেঞ্চিল, চকী, ভলীবল, নেট ফুটবল আদি প্ৰদান কৰে। আনহাতে গাঁওৰক্ষী বাহিনীৰ সম্পাদকক ছাতি একোটাকৈ যোগান ধৰা পৰিলক্ষিত হয়। উপস্থিত ৰাইজৰ মনোৰঞ্জনৰ উদ্দেশ্যে নৃত্য গীতৰ আয়োজন কৰাৰ উপৰিও সত্ৰশাল ৰাইনো স্পৰ্টছ ক্লাৱ আৰু সোনাহাট টাইগাৰ ক্লাৱৰ মাজত এখন প্ৰীতি ভলীবল মেচ অনুষ্ঠিত হয়। মেচৰ অন্তত দুয়োটা দলক পুৰস্কৃত কৰা হয়। অনুষ্ঠানত কমাণ্ডেন অজয় কুমাৰ সিঙৰ লগতে ছেকেণ্ড কমাণ্ডিং অফিচাৰ বিভৰ বহুগুণা, ডেপুটি কমাণ্ডেন মহেন্দ্ৰ নাথ বিশ্বাস, সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যাপীঠৰ অধ্যক্ষ আয়ুব আলী সেখ পৰিচালনা সমিতিৰ সভাপতি অভিলাষ দাস আদি উপস্থিত থাকে।



ছিংগাপুৰত উপস্থিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

# উচ্চ আৰু উঃ মাধ্যমিক পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত তিনিচুকীয়াত নিষেধাজ্ঞা

**ই-সংবাদ, ডুমডুমা, ১০ ফেব্ৰুৱাৰীঃ** অহা ১৩ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত আজিৰে পৰা ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ ৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি, পৰীক্ষা কেন্দ্ৰসমূহৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো মানুহৰ সমাগম বা গোট খোৱাটো নিষিদ্ধ কৰা হৈছে। পৰীক্ষাৰ্থী আৰু কৰ্তব্যৰত বিষয়া-কৰ্মচাৰীৰ বাহিৰে আন কোনো ব্যক্তি কেন্দ্ৰৰ ওচৰলৈ যাব নোৱাৰিব। তদুপৰি প্ৰাৰ্থীসকলে ম'বাইল ফোন, হেড ফোন, স্মাৰ্ট ঘড়ী-বেণ্ড, ইলেকট্ৰনিক পেন, ব্লু টুথ সামগ্ৰী, কেলকুলেটৰ, কিতাপ-পত্ৰ, বহী-কাগজ আদি সামগ্ৰী লৈ পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। পৰীক্ষা ব্যৱস্থাটোৰ স্বচ্ছতা, সততা আৰু শৃংখলাবদ্ধতা বৰ্তাই ৰখাৰ স্বাৰ্থত জিলা আয়ুক্ত স্বপ্নীল পালে আজি এই নিষেধাজ্ঞা জাৰি কৰিছে। এই আদেশ অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ ধাৰাৰ অধীনত যি কোনো লোক শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলিও নিৰ্দেশটোত স্পষ্ট কৰি দিয়া হৈছে। উল্লেখ্য যে, অহা ১৩-১৭ মাৰ্চলৈ ৰাজ্যজুৰি অসম ৰাজ্যিক বিদ্যালয় পৰিষদৰ অধীনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু ১৫ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চলৈ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। তিনিচুকীয়া জিলাৰ ২৪ টা কেন্দ্ৰত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লোৱাৰ বিপৰীতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হ'ব ২৩ টা কেন্দ্ৰত। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত এইবেলি জিলাখনৰ ১২,৬৪৪ জন ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ৮,৫৩৬ জন। ইয়াৰে ৩,৮৩০ জন পুৰুষ আৰু ৪,৭০৬ গৰাকী মহিলা। আনহাতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত ৬,৯৭৬ গৰাকী মহিলা আৰু ৫,৭১২ জন পুৰুষ।

# ৰঙিয়া মহাবিদ্যালয়ৰ বঁটা প্ৰদান সভাত অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং

**ই-সংবাদ, ৰঙিয়া, ১০ ফেব্ৰুৱাৰীঃ** গছ-গছনি কটাত ভাৰতবৰ্ষৰ ভিতৰত অসম প্ৰথম। গছ-গছনিৰ সংৰক্ষণ কৰাটো অসমৰ তিনি কোটি পয়ত্ৰিছ লাখ মানুহৰ কৰ্তব্য। কিয়নো গছ-গছনিৰ সংৰক্ষণৰ অনুভৱেহে অসমখন চিৰসেউজ কৰি ৰাখিব।- এই মন্তব্য অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ। আজি ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ সামৰণি উপলক্ষে মুকলি সভা আৰু বটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰে পদ্মশ্ৰী যাদৱ পায়েঙে। ৰঙিয়া মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত আৰোপ কৰে অৰণ্য মানৱ পায়েঙে। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি আগবঢ়োৱা ভাষণত তেওঁ উদ্ভিদ আৰু প্ৰকৃতি সুৰক্ষাৰ সম্পৰ্কৰ বিষয়ে অৱগত কৰাৰ লগতে গোলকীয় উষ্ণতা বৃদ্ধিৰ ভয়াৱহ পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতো আলোচনাত মিলিত হয় অৰণ্য মানৱগৰাকী। ৰঙিয়া মহাবিদ্যালয় সেউজ কৰি ৰখাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই গ্ৰহণ কৰা পদক্ষেপৰো শলাগ লয় তেওঁ। উল্লেখ্য যে ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক খেল সপ্তাহৰ বঁটা বিতৰণী সভাত মুখ্য অতিথি ৰূপে উপস্থিত আছিল পদ্মশ্ৰী যাদৱ পায়েং।

# তিনিচুকীয়াত ফাইলেৰিয়া আৰু ৰাষ্ট্ৰীয় কৃমি ৰোগ বিৰোধী অভিযান

**ই-সংবাদ, ডুমডুমা, ১০ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ৫,৫৮,৪৯০ জন ১-১৯ বছৰ বয়সৰ লোকক পেলু বা কৃমিনাশক দৰৱ প্ৰদানৰ লক্ষ্যৰে আজি ৰাষ্ট্ৰীয় কৃমি প্ৰতিৰোধী দিৱস উদযাপন কৰা হয়। তিনিচুকীয়া চহৰৰ বৰগুৰিস্থ জ্ঞানাংকুশ আৱাসিক বিদ্যালয়ত আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে তিনিচুকীয়া জিলাৰ অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য) চিন্ময় পাঠকে। এই উপলক্ষে অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত তিনিচুকীয়া জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য বিষয়া ডাঃ ৰাজীৱ ৰঞ্জন গগৈ আৰু জিলা প্ৰতিষেধক বিষয়া ডাঃ নিৰোদ কুমাৰ বৰাও উপস্থিত থাকে। উল্লেখ্য যে, প্ৰতি দুবছৰৰ মূৰে মূৰে কৃমি ৰোগ নিৰ্মূলৰ বাবে সকলোকে এলবেণ্ডাজল টেবলেট খাবলৈ পৰামৰ্শ দিয়া হয়। যিহেতু ভাৰতত ১-১৯ বছৰ বয়সৰ লোকৰ মাজত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি, সেয়েহে এই বয়সৰ সকলোৰে মাজত বিনামূলীয়াকৈ উক্ত টেবলেট প্ৰদান কৰা হয়। ইফালে, লিম্ফেটিক ফাইলেৰিয়া (গোধা বেমাৰ) ৰোগৰ বিৰুদ্ধেও আজিৰে পৰা তিনিচুকীয়া জিলাৰ হাপজান স্বাস্থ্য খণ্ডত ১০ দিনীয়া ব্যাপক অভিযান আৰম্ভ কৰা হৈছে। আজি এই খণ্ডৰ অন্তৰ্গত তথা চাহ নগৰী ডুমডুমাৰ দাঁতিকাষৰীয়া দৈমুখীয়া চাহ বাগিচা চিকিৎসালয়ত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভ কৰে স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত চিন্ময় পাঠকে। এই উপলক্ষে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত জিলা তদাৰকী বিষয়া ডাঃ মিনাক্ষী হাজৰিকা, বাগিচা কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়াসকল উপস্থিত থাকে। অহা ১৯ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া দহদিনীয়া ফাইলেৰিয়া নিৰ্মূল অভিযানৰ সমূহীয়া ঔষধ সেৱন (এম ডি এ) কাৰ্যসূচীত হাপজান স্বাস্থ্য খণ্ডৰ অন্তৰ্গত সকলো বাসিন্দাকে বিনামূলীয়াকৈ লিম্ফেটিক ফাইলেৰিয়া অৰ্থাৎ গোধা ৰোগৰ দৰৱ খুওৱা হ'ব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# চামগুৰিত বিজেপিৰ বিজয় উৎসৱ পালন



**ই-সংবাদ, পুৰণিগুদাম, ১০ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি তিনিআলিত পুৰণিগুদাম মণ্ডল বিজেপিৰ উদ্যোগত যোৱা নিশা দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে ঐতিহাসিক জয়লাভ কৰাত বিজয় উৎসৱ পালন কৰে। পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মা আৰু কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি তথা যুৱনেতা পাৰ্থপ্ৰতিম হাজৰিকাৰ নেতৃত্বত বিজেপি দলৰ কাৰ্যকৰ্তাসকলে চামগুৰি তিনিআলিত ফটকা ফুটাই বিজেপিৰ জয়ধ্বনিৰে বিজয় উৎসৱ পালন কৰে। উক্ত বিজয় উৎসৱত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত থাকি বিজয় উৎসৱ পালন কৰে। দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ কাৰ্য চলাবলৈ যোৱা বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে বিজয় উৎসৱত ভাষণ প্ৰসংগত কয় যে, এইবাৰ দিল্লীৰ নিৰ্বাচনত বিজেপি দলে ঐতিহাসিক জয়লাভ কৰিবলৈ সক্ষম হৈছে। দিল্লীৰ বিধানসভা নিৰ্বাচনত এইবাৰ অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বহুকেইখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি ভোটাৰ ৰাইজক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগত বহুকেইখন ৰাজহুৱা সভাত মই উপস্থিত আছিলো। দিল্লীৰ জনসাধাৰণৰ অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি থকা মৰম আৰু সমৰ্থন দেখি মই গৌৰৱবোধ কৰিছিলো। অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ দিল্লীৰ জনসাধাৰণৰ মাজত থকা জনপ্ৰিয়তা দেখি মই অভিভূত হৈছিলো বুলি বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। উক্ত বিজয় উৎসৱত পুৰণিগুদাম মণ্ডল বিজেপি আৰু কলিয়াবৰ জিলা বিজেপিৰ কৰ্যকৰ্তাসকলৰ লগতে স্থানীয় বহুসংখ্যক লোক উপস্থিত থাকে।

# সাতগাঁও শিক্ষা নিকেতনৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১০ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ সাতগাঁও শিক্ষা নিকেতনৰ ৯ম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি উলহ-মালহেৰে উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক মনজুৰ আলীয়ে। পতাকা উত্তোলনৰ পিছতে বিদ্যালয়খনৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে সাতগাঁও শিক্ষা নিকেতনৰ অধ্যক্ষ আটোৱাৰ ৰহমানে। সাংস্কৃতিক শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে অসম তথা ভাৰতৰ কৃষ্টি-সংস্কৃতি সুন্দৰভাৱে প্ৰদৰ্শন কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পিছতে বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ সফল সামৰণি পৰে।

## আউলাচৌকাত ক্বাদিৰীয়া শ্বৰীফ সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ১০ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ আউলাচৌকাৰ সমীপৱৰ্তী নিজ ৰঙামাটি নিবাসী হাফিজ মুহাম্মদ চহিৰুদ্দিন আহমেদৰ বাসগৃহত ৫ম বাৰ্ষিক জলছায়ে ক্বাদিৰীয়া শ্বৰীফ সম্পন্ন হয়। আহ্বায়কে জানিবলৈ দিয়া মতে, বিয়লি ৪ বজাত খতমে ক্বাদিৰীয়া শ্বৰীফ পাঠ, সন্ধিয়া ৫.৩০ বজাত নাতে ৰছুল আৰু স্থানীয় উলামায়ে কিৰামৰ ৱাজ নচিহত, নিশা ৮ বজাত মৌলানা আলহাজ আজিমুদ্দিন আহমেদ ৰেজবী আৰু অৱসৰপ্ৰাপ্ত শিক্ষক গোলেনুৰ হুছেইনৰ পৰিচালনাত মুকলি জলছাহ অনুষ্ঠিত হয়। জলছাহত মুখ্য অতিথিৰ আসন অলংকৃত কৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন স্ক'লাৰ, পীৰে ত্বৰীকত, ৰহবৰে ৰাহে শ্বৰীঅ'ত, 'হুজুৰ শ্বেৰে বাংগাল', খলীফা হুজুৰ ফক্বীহে আ'জমে হিন্দ হজৰত আ'ল্লামা মুফতী হাফিজ-কাৰী আলহাজ মুহাম্মদ চামিমুজ্জামান ক্বাদিৰী (ছোযযাদাহ নশ্বীন আছতানায়ে হামীদীয়া ক্বাদিৰীয়া, মৌলানা গলী, শ্বাহজাদপুৰ, আকবৰপুৰ, উত্তৰপ্ৰদেশ) চাহেবে মছলকে আ'লা হজৰত আৰু হুজুৰ বৰপীৰ চাহেবৰ ওপৰত তত্বগধুৰ বক্তব্য ৰাখে। সন্মানীয় অতিথি হিচাপে অৰুণাচল প্ৰদেশৰ টেগু জামে মছজিদৰ পেচ ইমাম হাফিজ শ্বামচাদ শ্বেইখ শ্বামিমী, শ্বাইৰে ইছলাম, বুলবুলে বাগে মদীনা আবুল হাচান নূৰী (কলিকতা), নিৰ্দিষ্ট বক্তা হিচাপে আ'লা হজৰত একাডেমী, মঙলদৈৰ প্ৰধানশিক্ষক মৌলানা আব্দুল হক ৰেজবী, দাৰুল উলুমৰ শিক্ষক মুফতী তাজনুৰ আলী ক্বাদিৰী, বিশিষ্ট অতিথি হিচাপে ইমাম মৌলানা আব্দুচ চাত্তাৰ নূৰী, বিশিষ্ট লেখক, কবি, শ্বেৰে অসম, মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী উপস্থিত থাকে। নিশা ১২ বজাত মৌলুদ শ্বৰীফ আৰু স্বালাতু ছালামেৰে জলছায়ে ক্বাদিৰীয়াৰ সামৰণি পৰে।




সাহিত্যিক বীৰ্কে বি. থাপাক ২০২৫ বৰ্ষৰ "সাহিত্যসূৰ্য নিৰোদ চৌধুৰী স্মাৰক বঁটা" প্ৰদান, ডুমডুমাত সোমবাৰে

## দলংঘাটৰ বৰমণিপুৰস্থিত ষষ্ঠদশ অসম আৰক্ষী বেটেলিয়ানৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ১০ ফেব্ৰুৱাৰীঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তৰ দলংঘাটৰ বৰমণিপুৰত থকা ষষ্ঠদশ অসম আৰক্ষী বেটেলিয়ানৰ প্ৰতিষ্ঠা দিৱসটি সোমবাৰে উদযাপন কৰা হয় । এই মৰ্মে সৃষ্টি হোৱা এক উখল-মাখল পৰিৱেশৰ মাজেৰে পুৱা শ্বহীদ তৰ্পন কৰে অধিনায়ক জাকিৰ হুছেইনে। পৰৱৰ্তী সময়ত চেৰেমনিয়েল পেৰেডৰ অভিবাদন গ্ৰহণ কৰে মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে। অনুষ্ঠানত হেমন্ত কুমাৰ দাসে প্ৰতিষ্ঠা দিৱস উপলক্ষে ষষ্ঠদশ অসম আৰক্ষী বেটেলিয়ানৰ সকলো বিষয়া আৰু জোৱানক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আৰক্ষী পৰিয়ালৰ লোকসকলৰ ত্যাগ স্বীকাৰৰ বাবে আৰক্ষীয়ে নিজ কৰ্তব্যত অগ্ৰসৰ হৈ দেশ সেৱাত ব্ৰতী হব পাৰে বুলি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আন্তৰিক সুৰক্ষা পদক বিজেতা সকলক সম্বৰ্ধনা জনোৱা হয়। দুপৰীয়া বিধায়ক ৰমাকান্ত দেউৰী উপস্থিত হৈ অধিনায়ক জাকিৰ হুছেইন তথা জোৱান সকলৰ প্ৰচেষ্টাত নতুনকৈ নিৰ্মাণ হোৱা ব্ৰাইট ষ্টাৰ কিডচ নামৰ এখনি স্কুল আনুষ্ঠানিকভাবে মুকলি কৰে। উল্লেখ্য যে, এই স্কুলত আৰক্ষী পৰিয়ালৰ লগতে অঞ্চলৰ দৰিদ্ৰতা পৰিয়ালৰ লোকৰ সন্তান সকলক এই ষষ্ঠদশ অসম আৰক্ষী বেটেলিয়ানৰ জোৱান আৰু বিষয়া সকলে নিজ কৰ্তব্যৰ উপৰিও পাঠদান কৰিব। ইয়াৰ পিছত সত্ৰীয়া নৃত্য, বিহু নৃত্য, মনিপুৰী পুং চলন আদিৰ সমাহাৰে মনোমোহা সাংস্কৃতিক অনুষ্ঠানৰ লগতে ৰচি টনা, চকী খেল আদি অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অতিথি ৰূপে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা আৰু মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱজ্যোতি নাথ বিশেষভাবে উপস্থিত থাকে। কাৰ্যসূচীত ষষ্ঠদশ অসম আৰক্ষী বেটেলিয়ানৰ সহ অধীনায়ক ড° দিগন্ত বৰুৱা, উপ আৰক্ষী অধীক্ষক কল্পনা দেৱী, লিহয় স্বৰেই, আবাসিক চৌহদৰ পেৰেড কামাণ্ডাৰ প্ৰাঞ্জল ডেউৰীৰ লগতে বিষয়া-কৰ্মচাৰী, জোৱান সকলৰ উপৰিও স্থানীয় কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। ইফালে প্ৰতিষ্ঠা দিৱস উপলক্ষে যোৱা ৮ ফেব্ৰুৱাৰীত ভাতৃত্ববোধৰ সজাগতাৰে বাইক ৰেলি উলিওৱাৰ উপৰি ৯ ফেব্ৰুৱাৰীত স্বচ্ছতা অভিযানৰ পিছত স্থানীয় বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট অধিৱেশনত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ শিল্পীয়ে প্ৰদৰ্শন কৰিলে স্ব-প্ৰতিভা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১০ ফেব্ৰুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক যোৰহাটৰ অধিৱেশনস্থলীত চাৰিওদিনত গুৰু দুজনাৰ সৃষ্টি অংকীয়া নাট- পিম্পৰা গুছোৱা, অঞ্জন ভঞ্জন, ৰুক্মিণী হৰণ, কালীয় দমন, পাৰিজাত হৰণ, কেলি গোপাল, অৰ্জন ভঞ্জন আৰু পত্নী প্ৰসাদ প্ৰদৰ্শন কৰা হয়। প্ৰতি নিশাই অনুষ্ঠিত সাংস্কৃতিক সমাৰোহত গায়ন-বায়ন, সূত্ৰধাৰী নৃত্য, বৰগীত, ঝুমুৰা মেলা নৃত্য, থিয় নাম, বাঁহী বাদন, জিকিৰ, গোৱালপৰীয়া লোকগীত, ৰজাঘৰীয়া চালি নৃত্য, দিহানাম, বিচিত্ৰানুষ্ঠান, ভোৰতাল নৃত্য, বৰগীত, লোকগীত, ঝুমুৰ, সুৰসমলয়, ন-ধেমালি, চালি নৃত্য, খোল বাদ্য পৰিৱেশন, নৃত্য সংৰচনা, ভটিমাৰ আধাৰত নৃত্যৰ সংৰচনা, শংকৰী নৃত্য, অংকীয়া গীত, হোলী গীত, ভক্তিমূলক গীত, ৰাভা নৃত্য, ঢোল বাদন, মিচিং জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান, বৰনেগেৰা নাম, জিকিৰ





নৃত্য, গজেন্দ্ৰ মুক্ষণ নৃত্য সংৰচনা, দেউৰী সাংস্কৃতিক দলৰ অনুষ্ঠান, শিখ ধৰ্মৰ পবিত্ৰ চৰত, কীৰ্তন, দলীয় ভোৰতাল বাদন, কামৰূপীয়া লোকগীত, ৮ নং চালি নাচ, মিডব্ৰেউন এক্টিভেশ্বন প্ৰদৰ্শন কৰে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ শিল্পীসকলে। তদুপৰি, কেউদিনৰ সভাসমূহৰ আৰম্ভণিতে দলীয়ভাৱে বৰগীত পৰিৱেশন কৰাৰ উপৰি সভাসমূহৰ মাজে-মধ্যে অংকীয়া গীত, ন-ধেমালি পৰিৱেশন কৰা হয়। আগন্তুক কাৰ্যকালৰ বাবে দায়িত্ব প্ৰদান কৰা সকল : শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দুবছৰীয়া কাৰ্যকালৰ বাবে পদাধিকাৰৰূপে ভবেন্দ্ৰনাথ ডেকাৰ লগতে উপ-পদাধিকাৰ চন্দ্ৰ হাজৰিকা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়া, যুটীয়া সম্পাদক দেৱৰঞ্জন বৰা আৰু তোযেশ্বৰ চুতীয়া।সাহিত্য শাখা সম্পাদক অচ্যুত কৃষ্ণ কলিতা, সাহিত্য শাখাৰ সভাপতি মৃণাল কুমাৰ বৰুৱা, প্ৰচাৰ শাখাৰ সম্পাদক ৰণ্টু খনিকৰ, প্ৰচাৰ শাখাৰ সভাপতি হীৰেন্দ্ৰ কুমাৰ ডেকা, সাংস্কৃতিক শাখাৰ সম্পাদক প্ৰশান্ত শইকীয়া, সংস্কৃতি শাখাৰ সভাপতি অলিম মহন্ত, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰাক দায়িত্ব অৰ্পণ কৰিছে।

# নৰোৱা কুজিসত্ৰৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**ই-সংবাদ, বেবেজীয়া, ১০ ফেব্ৰুৱাৰীঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰৰ গৌৰৱোজ্জ্বল ৩৭৫ তম প্ৰতিষ্ঠা দিৱস উদযাপন কৰিবৰ কাৰণে দেওঁবাৰে বিয়লি সত্ৰৰ চোতালত এখনি সাধাৰণ সভা অনুস্থিত কৰা হয়। সভাত বৃহত্তৰ অঞ্চলৰ বিশিষ্ট নাগৰিকসকলৰ লগতে পুৰুষ-মহিলা, যুৱক-যুৱতীসকল উপস্থিত থাকি প্ৰতিষ্ঠা দিৱসটি উদযাপনৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াই। উল্লেখ্য যে, ইতিপূৰ্বে নিৰ্ধাৰণ কৰি থোৱা অনুসৰি অহা ১৭ এপ্ৰিলৰ পৰা ২১ এপ্ৰিললৈ পাঁচদিনীয়াকৈ প্ৰতিষ্ঠা দিৱসটি উদযাপন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ঐতিহাসিক ৩৭৫ বছৰৰ ইতিহাসক সামৰি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰাৰ ওপৰিও কেউটা দিনতে আলোচনা সত্ৰ, সাংস্কৃতিক শোভাযাত্ৰা, সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান, বাটনাম কীৰ্তন, শ্ৰীশ্ৰী প্ৰমত্তসিংহ মহাপালনাম মহোৎসৱ, মহাভাগৱত পাঠ আদিৰ আয়োজনৰ দিহা কৰা হৈছে। তদুপৰি ৩৭৫ বছৰীয়া গৌৰৱ সমৃদ্ধ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীলৈ অসমৰ বহু কেইগৰাকী সত্ৰাধিকাৰৰ উপৰিও মন্ত্ৰী, বিধায়কৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উক্ত প্ৰতিষ্ঠা দিৱসলৈ সকলোৱে সহায় সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে সত্ৰখনৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীয়ে।

# সাহপুৰীয়াত বিশ্ব মহাবীৰ চিলাৰায় দিৱস

**ই-সংবাদ, পশ্চিম যোৰহাট, ১০ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলা কোচ ৰাজবংশী সন্মিলনী, মহিলা সন্মিলনী, নাগৰিক সন্মিলনী, আঞ্চলিক সন্মিলনী আৰু প্ৰাথমিক সন্মিলনীসমূহে ১২ ফেব্ৰুৱাৰীত বিশ্ব মহাবীৰ চিলাৰায় ৫১৫ সংখ্যক জন্ম জয়ন্তী সাহপুৰীয়া গাঁৱৰ নৰৰূপ কলা-কৃষ্টি কেন্দ্ৰত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰিছে। সেইদিনা পুৱাৰে ক্ৰমে পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণৰ পাছতে সাংস্কৃতিক শোভাযাত্ৰা উলিয়াব। চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্য অৰ্পণ কৰাৰ পাছতে ১২-৩০ বজাৰ পৰা হ'বলগীয়া মুকলি সভাত ভালেকেইজন নিমন্ত্ৰিত অতিথিয়ে বক্তৃতা প্ৰদান কৰিব। ইফালে, ভাতেমৰা গাঁৱতো যোৰহাট সাংস্কৃতিক গোষ্ঠীয়ে বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক জন্মজয়ন্তী পালন কৰিব। পতাকা উত্তোলন, স্মৃতি তৰ্পণ, চিলাৰায়ৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলিৰ পাছতে শিশুসকলৰ অংশগ্ৰহণৰে ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব চিত্ৰাংকন, মহিলাসকলৰ অংশগ্ৰহণৰে বিয়ানাম প্ৰতিযোগিতা। ২ বজাৰ পৰা হ'বলগীয়া মুকলি সভাত ভালেকেইজনে বক্তৃতা প্ৰদান কৰাৰ লগতে ভালেকেইগৰাকী ব্যক্তিক সম্বৰ্ধনা জনাব আৰু প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰিব।

## হালালী দেশত হালধীয়া সোণোৱালীৰ সাক্ষী জীয়াঢলৰ পাৰ

# সোণোৱাল কছাৰী সাহিত্য সভাৰ ধেমাজি অধিৱেশনৰ সামৰণি




**ই-সংবাদ, ধেমাজি, ১০ ফেব্ৰুৱাৰীঃ** 'হালালী হালালী হালালী দেশৰে/সোণোৱাল কছাৰী কিৰাতী জাতি/ হায়দাং গীতেৰে খ্ৰীং খ্ৰীং বাইথ'ৰে/আৰাধ্য দেৱতা আমাৰে গতি/ কামৰূপ আমাৰে ওপজা ঠাই/অসমী আমাৰে চেনেহী আই/অসমা সুষমা ভাষা অসমীয়া/পৰাণ উজাৰি সপিলোঁ জাতি/ হা-হ'ল মাটি লালী হ'ল খ্যাতি/উজ্জ্বল মাটিৰে সোণোৱাল জাতি/হালালী দেশৰে হেমালী সোণোৱাল/ ভাষা জননীৰ সমন্বয় সাঁকোৰে/ সবে মিলি গঢ়ো সু-মহান জাতি' হালালী দেশলৈ পৰিণত জীয়াঢল ভোগালী সমন্বয় ক্ষেত্ৰ। হায়দাঙ-লেছেৰী নৃত্যৰে মুখৰ বলিয়া জীয়াঢল নৈ পাৰ। যেন হালধীয়া সাগৰলৈ পৰ্বণিত সোণোৱাল কছাৰী সাহিত্য সভা। জীয়াঢল ভোগালী সমন্বয় ক্ষেত্ৰত নীলাভ আকাশৰ তলত কেৱল হালধীয়া আৰু হালধীয়া। হালধীয়াৰৰ মাজত সেউজীয়া পাৰি লগোৱা সোণোৱালী (গামোচা)খনত ঐতিহ্য বহন কৰে জনগোষ্ঠীটোৰ সাত খেল চৈধ্য বংশৰ মাদকতা। কালি সোণোৱাল কছাৰী সাহিত্য সভাৰ ধেমাজি অধিৱেনৰ শেষৰ দিনা উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই প্ৰদান কৰিলে অনন্য মাত্ৰা। প্ৰবীণ অভিনেতা অৰুণ হাজিকাই শুভ উদ্বোধন কৰা শোভাযাত্ৰাত মুখৰ জীয়াঢলৰ আকাশ-বতাহ। অংশগ্ৰহণ কৰে বিশিষ্ট শিল্পী জয়ন্ত সোণোৱাল আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে। উল্লেখ্য যে, অসম সাহিত্য সভাৰ ১০০ বছৰৰ পিছত ২০১৭ চনৰ ১৩ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা লাভ কৰা সোণোৱাল কছাৰী সাহিত্য সভাৰ দ্বিতীয় দ্বি-বাৰ্যিক ধেমাজি অধিৱেশনৰ কালি সফল সামৰণি পৰে। বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰা গায়ন-বায়ন, জনগোষ্ঠীয় কৃষ্টি দল, সোণোৱাল কছাৰীৰ বিশেষ কলা-সংস্কৃতিৰ প্ৰদৰ্শনী দলসমূহৰ সামগ্ৰিকভাৱে সাংস্কৃতিক সমাৰোহে সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এই সমাৰোহত অংশগ্ৰহণ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। ডঃ পেগুৱে ৰাইজক উদ্দেশ্যি একো একোটা জাতিৰ কলা-সংস্কৃতিক বৈজ্ঞানিক দৃষ্টিভংগীৰে সম্প্ৰতি আগুৱাই নিয়াত জাতিটোৰ অগ্ৰজ সকলে ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে জাতিটোৰ যিখিনি আছে তাক সংৰক্ষণ আৰু সংবৰ্ধন তথা সম্প্ৰসাৰণ কৰাৰ বাবে গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত ডঃ পেগুৱে সোণোৱাল সভা-সমিতি পাতিবলৈ ধেমাজিত এটা সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰাৰ বাবে অসম চৰকাৰৰ পৰা অনুমোদন জনাব বুলি ঘোষণা কৰে। ইয়াৰ পিছতে অধিৱেশনৰ লগত সংগতি ৰাখি মুকলি সভা অনুষ্ঠিত কৰে। সভাখনত পৌৰোহিত্য সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱালে। সভাত আদৰণি ভাষণ প্ৰদান কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি টংকেশ্বৰ সোণোৱালে। অতিথি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক পল্লৱী ডেকা বুজৰবৰুৱা, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেবানন্দ চেলেং, সাদাৰণ সম্পাদক পৰীক্ষিত সোণোৱাল, সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটিৰ অধ্যক্ষভুৱন চন্দ্ৰ বড়া, সদৌ অসম সোণোৱাল কছাৰী নাৰী সন্থাৰ সভানেত্ৰী ৰশ্মিৰেখা সোণোৱাল, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সদস্য বিকাশ মিচং, টিএমপিকেৰ সাধাৰণ সম্পাদক চান পাংগিং, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰাজু সোণোৱাল, সোণোৱাল কছাৰী যুৱ মঞ্চৰ সম্পাদক জিতুলৰাজ সোণোৱাল, সোণোৱাল কছাৰী সাহিত্য সভাৰ অৰুণাচল প্ৰদেশৰ পৰা প্ৰতিনিধিত্ব কৰা কেন্দ্ৰীয় উপ-সভাপতি অৰবিন্দ বৰা, সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰশান্ত দেউৰী, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী পুষ্পা গগৈ, সোণোৱাল কছাৰী জাতীয় পৰিষদৰ সচিব চন্দন সোণোৱাল, সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটিৰ সচিব ভক্তি প্ৰসাদ সোণোৱাল। পশ্চিম ধেমাজি মহাবিদ্যালয়ৰ অধ্যক্ষ ললিত দিহিঙীয়া। ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণৰ সভাপতি অসীম হাজৰিকা, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য বিজয় শইকীয়া, খ্ৰীং খ্ৰীং বাইথ' সংস্কৃতি সমাজৰ সম্পাদক উত্তম সোণোৱাল, সমাজকৰ্মী বাবুল সোণোৱাল, বিশিষ্ট সমাজকৰ্মী, সোণোৱাল ভাষাত কথা-বতৰা প্ৰতিষ্ঠানৰ সভাপতি ৰাজু সোণোৱাল, খ্ৰীং বাইথ' মন্দিৰ পৰিচালনা সমিতি, ডাঙৰীৰ সদস্য বিচিত্ৰ সোণোৱালে। সভাৰ মাজতে সোণোৱাল কছাৰী সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা দুকুৰি অধিক গ্ৰন্থ সভাত উন্মোচন কৰে। সোণোৱাল কছাৰী সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক জোনটি সোণোৱালে আঁত ধৰা অনুষ্ঠানটিত স্মৃতিগ্ৰন্থ 'স্বৰ্ণবেঘা' উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় পঞ্জীয়ক ডঃ পৰমানন্দ সোণোৱালে। সোণোৱাল কছাৰী সাহিত্য সভাৰ মুখপত্ৰ 'হালালী'ৰ উন্মোচন কৰে নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপক ডঃ অৰবিন্দ ৰাজখোৱাই। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত কণ্ঠশিল্পী কৃষ্ণমণি চুতীয়াই গীত পৰিৱেশন কৰে।

# গোৱালপাৰাত আৰক্ষীৰ সাফল্য, ১০ বাইক চোৰ জালত

## ৮ খনকৈ চুৰি মটৰচাইকেল উদ্ধাৰ

**ই-সংবাদ, শিমলীতোলা, ১০ ফেব্ৰুৱাৰীঃ** গোৱালপাৰা আৰু মাটিয়া আৰক্ষীয়ে অভিযান চলাই যোৱা শুকুৰবাৰে ৮ খনকৈ মটৰচাইকেল উদ্ধাৰ কৰাৰ লগতে ১০ টা গভাইত চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে গোৱালপাৰা জিলাত বিভিন্ন সময়ত আন্তঃৰাষ্ট্ৰীয় মটৰচাইকেল চোৰ চক্ৰ সক্ৰিয় হৈ থকা বুলি দীৰ্ঘদিনৰ পৰাই চৰ্চা চলি থকা সময়তে ইয়াৰে সত্যতা প্ৰমাণিত কৰি গোৱালপাৰা আৰু মাটিয়া আৰক্ষীয়ে অভিযান চলাই ১০ চোৰসহ ৮ খন মটৰচাইকেল উদ্ধাৰ কৰে। জানিব পৰা মতে, গোৱালপাৰা চহৰ আৰক্ষী বিষয়া বিপ্ৰশ্ৰী বয়ৰে গোপন খবৰৰ ভিত্তিত অভিযান চলাই অসম-মেঘালয় সীমান্তৰ বাজেংডোবা এলেকাৰ পৰা ৫ খন মটৰচাইকেলসহ ৪ টা গভাইত চোৰক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চোৰকেইটা ক্ৰমে বাজংডোবাৰ চুলি মাৰাক, মালাধৰাৰ ৰিকজু মোমিন, গোৱালপাৰা চহৰৰ বাপুজীনগৰৰ দুই ভাতৃ ক্ৰমে সঞ্জীব দত্ত আৰু সুভম দত্ত। আৰক্ষীয়ে চোৰকেইটাৰ পৰা ৫ খন মটৰচাইকেল উদ্ধাৰ কৰি মটৰচাইকেলসহ চোৰ কেইটাক গোৱালপাৰা সদৰ থানালৈ লৈ আহে। ইফালে, মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপুমণি চৌধুৰীয়ে অভিযান চলাই ৬ টা চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে ৩ খনকৈ মটৰচাইকেল উদ্ধাৰ কৰে। প্ৰথমে নগৰবেৰাৰ পৰা ৫ ফেব্ৰুৱাৰীত চুৰি হোৱা ৰয়েল এনফিল্ড ৩৫০ মটৰচাইকেল চোৰ মইদুল ইছলাম আৰু ইজাৰ আলীক বাইকসহ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত সিধাবাৰী কাৰিপাৰা পথৰ পৰা গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা দুই চোৰৰ স্বীকাৰোক্তিৰ ভিত্তিত অসম-মেঘালয় সীমান্তত অভিযান চলাই আন্তঃৰাষ্ট্ৰীয় মটৰচাইকেল চোৰ চক্ৰৰ লগত জড়িত থকা ফজনুল হক, নবৰ আলী, ছানষ্টাৰ এ চাংমা আৰু ৰক ষ্টাৰ এম চাংমাক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা বাজাজ পালছাৰ দুখন উদ্ধাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চোৰসহ তিনিখন মটৰ চাইকেল উদ্ধাৰ কৰি থানা লৈ আনে। আৰক্ষীৰ তৎপৰতাত মটৰচাইকেল সহ চোৰকেইটাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত গোৱালপাৰা আৰু মাটিয়া আৰক্ষীক প্ৰসংশা কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে মটৰচাইকেলৰ স্বত্বাধিকাৰীসকলে। এই মটৰচাইকেল চোৰ চক্ৰটোৱে অসমৰ পৰা মটৰ চাইকেল চুৰি কৰি মেঘালয় হৈ বাংলাদেশলৈ চালান কৰে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে।

# মাৰৈ-বিজুলীবাৰী উঃ মাঃ বিদ্যালয়ত অৱসৰপ্ৰাপ্ত হৰিচন্দ্ৰ দাসক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, দুমুনিচকী, ১০ ফেব্ৰুৱাৰীঃ** ছিপাঝাৰ অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান মাৰৈ-বিজুলীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উচ্চ বৰ্গ সহায়ক হৰিচন্দ্ৰ দাসৰ বিদায় সম্বৰ্ধনা সভাখন আজি বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মকিবৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত আৰু বিদ্যালয়ৰ শিক্ষক গোটৰ কাৰ্যকৰী সভাপতি এম হাফিজ আলীয়ে আঁত ধৰা ৰাজহুৱা বিদায় সম্বৰ্ধনা সভাত শিক্ষক কৰ্মচাৰী গোটৰ তৰফৰ পৰা ফুলাম গামোছা, শৰাই, জাপি, চেলেং চাদৰ, অংগবস্ত্ৰ, গ্ৰন্থ, ছাতি ফুলৰ থোপা, মানপত্ৰৰে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আৰম্ভণিতে বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন্দ্ৰজিৎ শৰ্মাই তেওঁৰ প্ৰাক্তন ছাত্ৰ তথা বিদ্যালয় উচ্চবৰ্গ সহায়ক হৰিচন্দ্ৰ দাসৰ জীৱনৰ বিভিন্ন দিশ সামৰি আদৰণি ভাষণ আগবঢ়ায়। সভাত মীন সম্প্ৰসাৰণ বিষয়া জ্যোতিষ চন্দ্ৰ দাস, বিদ্যালয়ৰ সহকাৰী শিক্ষক ব্ৰজেন নাথ, শিক্ষয়িত্ৰী চন্দ্ৰমা ভুঞা, শব্যাৰাণী বআদি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে বক্তব্য দিয়াৰ লগতে সম্বৰ্ধিত ব্যক্তিগৰাকীৰ গুণানুকীৰ্তন কৰে। শিক্ষক-শিক্ষয়িত্ৰীসকল ক্ৰমে ফিৰোজ আলী, ৰিংকু কুমাৰ নাথ, চেমিম আখতাৰা, ৰূপম মেধি, শৰৎ চন্দ্ৰ নাথ, মৌলনা তমিজুদ্দিন আহমেদ আদি উপস্থিত থাকে। সম্বৰ্ধনা গ্ৰহণ কৰি যোৱা ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰা উচ্চবৰ্গ সদায়ক হৰিচন্দ্ৰ দাসে জীৱনৰ স্মৃতি ৰোমন্থন কৰে। সভাৰ শেষত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অৱসৰপ্ৰাপ্ত ব্যক্তিগৰাকীক বিজুলীবাৰীৰ নিজ গৃহলৈ গৈ থৈ অহাৰ লগতে দাসৰ বাসগৃহতো এখন বিদায় সমৰ্ধনা সভা অনুষ্ঠিত কৰে।

# খেৰবাৰীত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিত ব্যাপক দুৰ্নীতিৰ অভিযোগ

**ই-সংবাদ, গোলকগঞ্জ, ১০ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰৰ অন্তৰ্গত খেৰবাৰীত মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ কামত ব্যাপক দুৰ্নীতি, অনিয়মৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, খেৰবাৰী আনন্দবজাৰ বজাৰৰ পৰা জিনকাটা সংযোগী উন্নৈছ মিটাৰ পথটো নিৰ্মাণৰ বাবে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ অধীনত এক কোটি আঠান্ন লাখ টকা আবণ্টন লাভ কৰে। পথটো নিৰ্মাণৰ দায়িত্ব লাভ কৰে নুৰ ইছলাম নামৰ ঠিকাদাৰজনে। অভিযোগ মতে, ঠিকাদাৰে প্ৰাককলন গোপনে ৰাখি নিজ খেয়াল-খুচি মতে নিম্নমানৰ সামগ্ৰীৰে নিৰ্মাণ কাৰ্য অব্যাহত ৰাখিছে। পথটোত প্ৰথমে শিল, বালিৰ সংমিশ্ৰণ পেলাব লাগে যদিও অধিক মুনাফাৰ বাবে ঠিকাদাৰে পুখুৰী আৰু খেতি পথাৰৰ মাটি পেলাই ৰোলাৰ মাৰে। আনকি শিল-পাথৰ পেলোৱাৰ ক্ষেত্ৰতো কৰে চৰম অনিয়ম। ভঙা শিলৰ পৰিৱৰ্তে পথটোত ধূলি-বালিযুক্ত গোটা শিল পেলাই আছে। তদুপৰি পথটোৰ ছাইটবাম নিৰ্মাণ নকৰাৰো অভিযোগ উত্থাপন কৰি ইয়াৰ তদন্ত বিচাৰিছে ৰাইজে।

# খাম্ফা-চন্দন ব্ৰহ্মৰ উপস্থিতিত মথনগুৰিৰ প্ৰাক্তন এমচিএলএ মাখন স্বৰ্গীয়াৰীয়ে যোগ দিলে ইউপিপিএল দলত




**ই-সংবাদ, বৰপেটাৰোড, ১০ ফেব্ৰুৱাৰীঃ** বিটিছি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিটিআৰ অঞ্চলত আৰম্ভ হৈছে যোগদানৰ ঢৌ। আজি বৰপেটাৰোডত খাম্ফা বৰগয়াৰী আৰু চন্দন ব্ৰহ্মৰ উপস্থিতিত মথনগুৰি সমষ্টিৰ প্ৰাক্তন নিৰ্দলীয় এমচিএলএ মাখন স্বৰ্গীয়াৰীয়ে ৬০৭০ গৰাকী কৰ্মীক লৈ ইউপিপিএলত যোগদান কৰে। যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে চন্দন ব্ৰহ্ম, নতুনকৈ ইউপিপিএলত যোগদান কৰা খাম্ফা বৰগয়াৰীকে ধৰি কেবগৰাকীও ইউপিপিএলৰ নেতাই। হাগ্ৰামা মহিলাৰীয়ে খাম্ফা বৰগয়াৰী ডিপুটেচিনত যোৱা সম্পৰ্কে কৰা মন্তব্য সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ এই কথা সংবাদ মাধ্যমৰ পৰা শুনা বুলি কয়। তেওঁ কয় যে মই ডিপুটেচিনত যোৱা নাই, মই ইউপিপিএলত যোগদান কৰিছোঁ। আজি বিটিচিবাসীয়ে ইউপিপিএলক বিচাৰিছে। ৰাজনৈতিকভাৱে আৰু অধিক শক্তিশালী দল গঠন কৰি বিটিচিবাসীৰ উন্নয়ন হোৱাটো বিচাৰিছে বুলিও কয়। আজি মাখন স্বৰ্গীয়াৰী যোগদান কৰিছে, ১৪ তাৰিখে বাগছা জিলাৰ সভাপতি হিতেশ বসুমতাৰীয়েও ইউপিপিএলত যোগদান কৰিব। ইতিমধ্যে বিপিএফত চুনামি, গড়াখহনীয়া আৰম্ভ হৈছে বুলি কয় খাম্ফা বৰগয়াৰীয়ে। আনহাতে, চন্দন ব্ৰহ্মাই বিপিএফ সম্পৰ্কে কয় যি দলত ৰাইজ নাথাকে, দলীয় কৰ্মী নাথাকে, নেতাসকল নাথাকে সেই দলৰ ক'ত অস্তিত্ব থাকিব। আহি থকা দিনত BPF দল হিচাপে জীয়াই থকাৰ কোনো পৰিৱেশ নাই। হাগ্ৰামা মহিলাৰীৰ তৰল, পাতল হাস্যকৰ মন্তব্যৰ বাবে চিন্তাশীল ব্যক্তিসকলে বেয়া পায়। হাগ্ৰামাক বৰ্তমান সময়ত তেওঁ চীফ হোৱাটো অলীক সপোন বুলিও কয় চন্দন ব্ৰহ্মাই। চন্দন ব্ৰহ্ম, খাম্ফা বৰগয়াৰীক ডিপুটেচিনত যোৱা সম্পৰ্কে তেওঁ কয় যে হাগ্ৰামা মহিলাৰীয়ে এনেধৰণৰ মন্তব্যৰে নিজকে সান্ত্বনা দিছে।

# মাটি বিক্ৰী কৰাক লৈ গেলেকী চাহ বাগিচাত উত্তাল প্ৰতিবাদ চাহ জনজাতি ছাত্ৰ সন্থাৰ

## অভিযোগক সম্পূৰ্ণ ভিত্তিহীন আখ্যা বাগিচাৰ পৰিচালক প্ৰণৱ বৰুৱাৰ

**ই-সংবাদ, গেলেকী, ১০ ফেব্ৰুৱাৰীঃ** গেলেকী চাহ বাগিচাৰ ১৬ নং লাইনত চাহ জনজাতিৰ ব্যক্তিয়ে ভোগ দখল কৰি থকা মাটি বাগান পৰিচালকে পৰোক্ষভাৱে বিক্ৰী কৰিবলৈ লোৱা বুলি অভিযোগ কৰিছে চাহ জনজাতি ছাত্ৰ সন্থা নাজিৰা শাখাই। আটছাৰ নাজিৰা শাখাৰ বিষয়ববীয়া বিকাশ বাউৰীয়ে এই সম্পৰ্কত সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰি কয় যে গেলেকী বাগিচাৰ ১৬ নং লাইনৰ এডোখৰ মাটি যিডোখৰ মাটি চাহ জনজাতিৰ যুৱকে ভোগ দখল কৰি আছিল সেই মাটি ডোখৰ বাগানখনৰ পৰিচালকে পৰোক্ষভাৱে অন্য লোকক বিক্ৰীৰ বাবে প্ৰস্তুতি চলাইছে। যদি এই মাটি বিক্ৰী কৰি দিয়ে তেন্তে চাহ শ্ৰমিক যুৱকসকল কেনেকৈ চলিব। এয়া হ'ব নোৱাৰে বুলি মন্তব্য প্ৰকাশ কৰে আটছাৰ বিকাশ বাউৰীয়ে। আজি পুৱা এই বিষয়টোক লৈ গেলেকী বাগিচাৰ কাৰ্যালয়ৰ সন্মুখত এক উত্তাল পৰিৱেশৰ সৃষ্টি কৰে একাংশ চাহ জনজাতি লোকে। প্ৰতিবাদকাৰীসকলে বাগান পৰিচালকৰ বিৰুদ্ধে নানা শ্ল'গান দিয়া পৰিলক্ষিত হয়। বাগান পৰিচালক প্ৰণৱ বৰুৱাই অসম ভূমি চিলিং নিৰ্ধাৰণ আইন ১৯৫৬ সংশোধনিৰ নিয়ম উলংঘা কৰিছে বুলি মন্তব্য কৰিছে আটছাৰ বিষয়ববীয়াই। আটাছাৰ বিষয়ববীয়াৰ মতে ১৯৫৬ চনৰ অসম চিলিং ভূমি নিৰ্ধাৰণ আইনৰ মতে চাহ বাগিচাৰ চাহ খেতিৰ বাবে অনুপযোগী মাটি চাহ শ্ৰমিক নিবনুৱা যুৱকক পুনৰ সংস্থাপনৰ বাবে দিব লাগে। কিন্তু তাকে নকৰি চাহ শ্ৰমিক যুৱকে ভোগ দখল কৰি থকা মাটি কাঢ়ি লোৱাৰ বাবে গভীৰ ষড়যন্ত্ৰ কৰিছে বাগান পৰিচালকে। এই বিষয়ত আটছা নাজিৰা শাখাই এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে বাগান পৰিচালকক। স্মাৰক পত্ৰৰ যোগেদি পুনৰ সেই মাটি ভোগ দখল কৰি থকা চাহ শ্ৰমিক যুৱকক ওভতাই দিব লাগে বুলি উল্লেখ কৰিছে। ইফালে, এই সমগ্ৰ বিষয়ৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গেলেকী চাহ বাগিচাৰ পৰিচালক প্ৰণৱ বৰুৱাই। প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই সমগ্ৰ বিষয়টো অসত্য বুলি মন্তব্য কৰিছে বাগান পৰিচালকজনে। গেলেকী বাগানৰ পৰিচালক হিচাপে কোনো ব্যক্তিক মাটি বিক্ৰী কৰা নাই লগতে আপত্তি বিহীন প্ৰমাণ পত্ৰও কাকো প্ৰদান কৰা হোৱা নাই বুলি মন্তব্য কৰে। লগতে গেলেকী বাগানৰ ১৬ নম্বৰ লাইনৰ বিষয়ে কেইবাটাও বিষয় উল্লেখ কৰি পৰিচালকজনে কয় যে এই লাইনৰ অধিকাংশ লোকেই বৰ্তমান বাগানত সক্ৰিয় শ্ৰমিক হিচাপে কাম কৰি থকা নাই। যাৰ বাবে বৰ্তমান বাগানখনত কাম কৰিবলৈ বিভিন্ন ঠাইৰ পৰা মানুহ বিচাৰি আনিবলগীয়া হৈছে। পৰিচালকজনে জনোৱা মতে, এক লোকচানৰ সন্মুখীন হ'ব লগা হৈছে মালিক কৰ্তৃপক্ষই এই বিষয়ত। লগতে আজি প্ৰতিবাদ কৰিবলৈ আহা অধিকাংশই বৰ্তমান বাগানত কৰ্মৰত শ্ৰমিক নহয় বুলিও মন্তব্য কৰে পৰিচালকজনে। পৰিচালকজনে লগতে কয় যে তেওঁ এই সমগ্ৰ বিষয় বাগানৰ গৰাকীক অৱগত কৰিছে ইতিমধ্যেই। মাটি বিক্ৰী কৰাৰ ক্ষেত্ৰত পৰিচালকৰ কোনো ভূমিকা নাথাকে বুলিও সংবাদ মাধ্যমৰ আগত কয় প্ৰণৱ বৰুৱাই। যদি কাৰোবাৰ ওচৰত মাটি বিক্ৰীৰ প্ৰমাণ আছে তাক উপস্থাপন কৰিবলৈ জনায় পৰিচালকজনে। এই অভিযোগ সম্পূৰ্ণ মিছা বুলি মন্তব্য প্ৰকাশ কৰে বৰুৱাই।

# অসম মাতৃ মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ বাবে কাৰ্যালয় মুকলি

**ই-সংবাদ, মিৰ্জা, ১০ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰদুৱাৰ বাগানত অৱস্থিত অসম মাতৃ মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তীৰ মুখ্য কাৰ্যালয় এটি আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। বৰদুৱাৰ বাগান বজাৰত নিৰ্মাণ কৰা কাৰ্যালয়টো মুকলি কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ চানডুবি সমষ্টিৰ পাৰিষদ নৃপেন চন্দ্ৰ ৰাভাই। উল্লেখ্য যে ৰাভা হাছং এলেকাৰ অনগ্ৰসৰ অঞ্চলটোত ১৯৭৫ চনতে স্থাপন হোৱা বিদ্যালয়খনৰ চলিত বৰ্ষৰ ২৯ নৱেম্বৰৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী উদযাপনৰ দিহা কৰা হৈছে। ইফালে, সোণালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক জমচেৰ আলীয়ে আঁত ধৰা কাৰ্যালয় মুকলিৰ মাংগলিক অনুষ্ঠানটিত উদযাপন সমিতিৰ সভাপতি দেৱজিত নাফাৰ উপৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মনেশ্বৰ ৰাভাই বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত ৰমেন কুমাৰ দাস, ইন্দ্ৰ ৰাভা, ৰাজীৱ লোচন গোস্বামী, নবীন ৰাভা, দ্বিজেন ৰাভা, আদিত্য নাগ, সুৰজিত ৰাভা, স্বপ্না ঠাকুৰীয়া, নিতুল ৰাভা তথা প্ৰধান শিক্ষক পবিতৰৰ উপৰি শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# পছৰীয়াৰ সৰবৰহী যুৱক ভাস্কৰ কলিতাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ

**ই-সংবাদ, গুৱালকুছি, ১০ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ পছৰীয়াৰ কানাইটোলৰ নিবাসী সৰবৰহী যুৱক ভাস্কৰ কলিতাৰ যোৱা নিশা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। অঞ্চলটোৰ সৰবৰহী যুৱকজনৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। কামৰূপ জিলাৰ পছৰীয়া ইমামী কোম্পানীত কৰ্মৰত তথা ইমামী শ্ৰমিক ইউনিয়নৰ সম্পাদক, ২ নং পুব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক, বিজেপিৰ সদস্য ভাস্কৰ কলিতাই শনিবাৰে দিনৰ ভাগত হঠাৎ শাৰীৰিকভাৱে অসুস্থ হোৱাত পৰিয়ালৰ লোকে আমিনগাঁৱৰ নাৰায়ণা হস্পিতালত ভৰ্তি কৰে যদিও নিশা হস্পিতালতে চিকিৎসাধীন অৱস্থাত যুৱকজনৰ মৃত্যু হয়। পছৰীয়া কানাইটোল নিবাসী উত্তম কলিতাৰ পুত্ৰ ভাস্কৰ কলিতা(৩০)ৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে পছৰীয়াৰ নিজ বাসগৃহত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা অগণন গুণমুগ্ধ উপস্থিত হৈ যুৱকজনৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা জনায়। যুৱকজনৰ মৃত্যুত ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাস, চিটুৰ সাধাৰণ সম্পাদক তপন শৰ্মা, অসম প্ৰদেশ বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, বিজেপি নেতা দিবাকৰ কলিতা, ইমামী কোম্পানীৰ হৈ দুৰ্লভ শইকীয়া, ইমামী শ্ৰমিক ইউনিয়নৰ সভাপতি ধনজিৎ ডেকা, বাসগৃহত বিভিন্ন অনুষ্ঠান-



প্ৰতিষ্ঠান তথা অগণন গুণমুগ্ধ উপস্থিত হৈ যুৱকজনৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা জনায়। যুৱকজনৰ মৃত্যুত ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাস, চিটুৰ সাধাৰণ সম্পাদক তপন শৰ্মা, অসম প্ৰদেশ বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস, বিজেপি নেতা দিবাকৰ কলিতা, ইমামী কোম্পানীৰ হৈ দুৰ্লভ শইকীয়া, ইমামী শ্ৰমিক ইউনিয়নৰ সভাপতি ধনজিৎ ডেকা, পুব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়ন জ্যোতি বণিয়া, এচিপি শ্ৰমিক সংঘৰ সভাপতি অমৃত কলিতাই যুৱকজনৰ বাসগৃহত উপস্থিত হৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। পছৰীয়া অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত যুৱকজনে মৃত্যুৰ সময়ত পিতৃ-মাতৃ, দুগৰাকী ভাতৃক ইহ সংসাৰত এৰি থৈ যায়।

# মৰিয়নি আৰক্ষীৰ গুণ্ডাগিৰি, বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক প্ৰহাৰ দুই জোৱানৰ

## দল-সংগঠনৰ অৱস্থান ধৰ্মঘটৰ অন্তত দুই আৰক্ষী জোৱানক ৰিজাৰ্ভ ক্ল'জৰ নিৰ্দেশ

**ই-সংবাদ, মৰিয়নি, ১০ ফেব্ৰুৱাৰীঃ** অপৰাধীৰ ক্ষেত্ৰত সততে নৰম স্থিতি গ্ৰহন কৰা অসম আৰক্ষীৰ এইবাৰ জপিয়াই পৰিল খবৰ সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকৰ ওপৰত। অকল শাৰীৰিক ভাৱে অপদস্থ কৰিয়ে ক্ষান্ত নাথাকি অশ্ৰাব্য ভাষাৰে সাংবাদিকক গালি-গালাজ কৰে আৰক্ষীয়ে। উল্লেখ্য যে এটা পথ দূৰ্ঘটনাৰ বাতৰি সংগ্ৰহ কৰিবলৈ গৈছিল মৰিয়নিৰ ব্যক্তিগত চেটেলাইট চেনেলৰ সাংবাদিক সপোন ৰহমান শইকীয়া। দুৰ্ঘটনাৰ উতপ্ত পৰিৱেশৰ ভিজুৱেল সংগ্ৰহ কৰি থাকোতেই সাংবাদিক গৰাকীক দুজনকৈ আৰক্ষীয়ে নিৰ্মম ভাবে প্ৰহাৰ কৰে আৰক্ষীয়ে। অভিযোগ অনুসৰি সাংবাদিক গৰাকীৰ ভিজুৱেল সংগ্ৰহ কৰা ম'বাইলটোও ভাঙিবলৈ উদ্ধত হৈ পৰিছিল মৰিয়নি আৰক্ষী। আটাইতকৈ ডাঙৰ কথা সাংবাদিক গৰাকীক প্ৰহাৰ কৰা আৰক্ষী জোৱান কিনাৰাম ফুলগয়াৰি সেই সময়ত অসামৰিক পোচাকত আছিল। আনগৰাকী প্ৰহাৰ কাৰী আৰক্ষী জোৱান নাম পংকজ ভূঞা বুলি জানিব পৰা গৈছে । ইতিমধ্যে দুই আৰক্ষী জোৱানৰ বিৰুদ্ধে এজাহাৰ




দাখিল কৰিছে সাংবাদিক সপোন ৰহমান শইকীয়াই। জোৱান দুজনৰ বিৰুদ্ধে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ প্ৰতিবাদ কৰাৰ হুংকাৰ দিছে মৰিয়নি ই মিডিয়াৰ লগতে মৰিয়নি প্ৰেছ ক্লাবে। আনহাতে কৰ্তব্যৰত সাংবাদিকক মৰিয়নিৰ আৰক্ষীয়ে প্ৰহাৰ কৰাৰ প্ৰতিবাদত বিভিন্ন দল সংগঠনৰ সহযোগত সংবাদকৰ্মী সকলে মৰিয়নি থানা তিনিআলিত অৱস্থান ধৰ্মঘট পালন কৰে। এই ধৰ্মঘট কাৰ্যসূচীত মৰিয়নিৰ লগতে তিতাবৰ আৰু যোৰহাটৰ বিভিন্নজন সংবাদ কৰ্মী উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। অৱস্থান ধৰ্মঘট কাযসূচীত মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতি, সদৌ চাহ জনজাতি ছাত্ৰ সন্থাৰ মৰিয়নি আঞ্চলিক, হিন্দু ছাত্ৰ পৰিষদ, তাই আহোম ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতি, NSUI যোৰহাট জিলা সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ যোৰহাট জিলা সমিতি, সংগ্ৰামী যুৱ পৰিষদ আদি বিভিন্ন সংগঠনে সহযোগ কৰে। ইফালে, মৰিয়নিত সাংবাদিকৰ প্ৰতিবাদত সেও মানিলে আৰক্ষী প্ৰশাসনে। ইতিমধ্যে সাংবাদিকক প্ৰহাৰ কৰা দুই আৰক্ষী জোৱান কিনাৰাম ফুলগয়াৰী আৰু পংকজ ভূঞাক ৰিজাৰ্ভ ক্লজ কৰা হৈছে। জোৱান দুজনৰ বিৰুদ্ধে বিভাগীয় তদন্তৰ ঘোষণা যোৰহাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোনোৱালৰ। তদন্তৰ দায়িত্ব চক্ৰ আৰক্ষী বিষয়া হিমাশ্ৰী নাথক অৰ্পণ কৰা হৈছে। তদন্তত দোষী সাব্যস্ত হ'লে নিলম্বিত হ'ব আৰক্ষী জোৱান দুজন। প্ৰতিবাদস্থলীত উপস্থিত হৈ আৰক্ষী অধীক্ষক গৰাকীয়ে দিয়া প্ৰতিশ্ৰুতিৰ পাছতে সাংবাদিকসকলে প্ৰতিবাদ স্থগিত ৰাখে।

# বিজেপি-এপিএইচএলচি দলৰ পৰস্পৰৰ প্ৰতিবাদ, পুত্তলিকা দাহ কাৰ্যসূচীৰে উত্তাল ডিফু

**ই-সংবাদ, ডিফু, ১০ ফেব্ৰুৱাৰীঃ** আঞ্চলিক ৰাজনৈতিক দল এপিএইচএলচি দল আৰু বিজেপি দলৰ মাজত পৰস্পৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচীৰে আজি উত্তাল হৈ পৰে ডিফু চহৰ। আজি পুৱা এপিএইচএলচি দলে ডিফুৰ বাছ আস্থানত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ পুত্তলিকা দাহ কৰি ৰংহাঙৰ নেতৃত্বত গুণ্ডাগিৰি চলাৰ অভিযোগ তুলিৰাম ৰংহাঙৰ আশিসধন্য একাংশ গুণ্ডাই এপিএইচএলচি দলৰ সাংস্কৃতিক সম্পাদকগৰাকীক নিজ বাসগৃহলৈ গৈ মাৰপিট কৰাৰ অভিযোগ কৰে। এনে গুণ্ডামি নকৰিবলৈ ৰংহাঙক সকিয়নি দিয়াৰ পিছতেই সন্ধিয়া বিজেপি দলৰ কৰ্মকৰ্তাসকলে একে স্থানতে জে আই কাথাৰৰ পুত্তলিকা দাহৰ কাৰ্যসূচী ৰূপায়ণ কৰে। বিজেপি নেতা লংছিং টকবিয়ে অভিযোগ কৰি কয় যে, কাৰ্বি আংলং জিলাত বিষবাষ্প ছটিওৱাৰ কাম কৰিছে জে আই কাথাৰে। জিলাখনত বৰ্তি থকা শান্তি-সম্প্ৰীতিৰ পৰিবেশ বিনষ্ট কৰাৰ বাবে উঠিপৰি লাগিছে জে আই কাথাৰ। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ নেতৃত্বত চলি থকা পৰিষদৰ ২৬টা সমষ্টিত জনসাধাৰণৰ সৈতে মতবিনিময় কাৰ্যসূচী ব্যৰ্থ কৰাৰ লক্ষ্যৰে কাথাৰে জিলাখনত অশান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ চেষ্টা চলাইছে। কাথাৰক জিলাখনৰ উন্নয়ন বিৰোধী আখ্যা দি আগন্তুক দিনত এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকিয়নি প্ৰদান কৰে টকবিয়ে। উল্লেখ্য যে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে যে জিলাখনত এক উত্তাল পৰিবেশৰ সৃষ্টি হ'ব তাৰে ইংগিত বহন কৰিছে আজিৰ এনেধৰণৰ প্ৰতিবাদী কাৰ্যসূচীসমূহে। এই প্ৰতিবাদে জিলাখনত ব্যাপক চৰ্চা লাভ কৰিছে।

# নলবাৰীত পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ শুভাৰম্ভ

**ই সংবাদ ব্যু'ৰ', নলবাৰী, ১০ ফেব্ৰুৱাৰীঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আৰিকুছিস্থিত মিলন উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত অনুষ্ঠানত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: কৈলাশ ডেকা মুখ্য অতিথিৰূপে উপস্থিত থাকে। অহা ১৭ ফেব্ৰুৱাৰীলৈ চলিব লগা ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ যোগেদি বিদ্যালয়লৈ যোৱা শিশুক বিদ্যালয়তে পেলুনাশক বড়ি প্ৰদান কৰা হ'ব। আশা আৰু অংগনবাড়ী কৰ্মীসকলে সকলো অংগনবাড়ী কেন্দ্ৰত আৰু গৃহ পৰিদৰ্শনৰ জৰিয়তে ১-১৯ বছৰ বয়সৰ সকলো শিশুক পেলুমুক্ত হোৱাটো নিশ্চিত কৰিবলৈ পেলুনাশক বড়ি প্ৰদান কৰিব। পেলুনাশক বড়ি বা এলবেণ্ডাজল টেবলেট সম্পূৰ্ণ নিৰাপদ আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা অনুমোদিত। অনুষ্ঠানত উপস্থিত থাকি যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: কৈলাশ ডেকাই কয় যে স্বাস্থ্যসম্পন্ন শিশুসকলৰ জৰিয়তেহে আমি সুৰক্ষিত তথা সমৃদ্ধিশালী সমাজৰ স্বপ্নক বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱ হ'ব। সভাত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: কৈলাশ ডেকা,মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়াদ্বয় ডা: মধুৰাম বৈশ্য, ডা: পৰীক্ষিত বৰ্মন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি প্ৰবন্ধক মিনাক্ষী বৰপূজাৰী, জিলা গণমাধ্যম বিশেষজ্ঞ পলাশ জ্যোতি বৰা, সামূহিক সমন্বয়ক সোণমণি ডেকা শৰ্মা, খণ্ড আঁচনি প্ৰবন্ধক ডিম্বেশ্বৰ হালৈ, খণ্ড আঁচনি সমন্বয়ক ৰাকেশ তালুকদাৰ, সহকাৰী আঁচনি প্ৰবন্ধক ৰনজিৎ ডেকা উপস্থিত থাকে।

# খেল মহাৰণৰ সাঁতোৰ প্ৰতিযোগিতালৈ নগাঁও জিলা দল

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১০ ফেব্ৰুৱাৰীঃ** গুৱাহাটীৰ সৰুসজাইৰ ডঃ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত কাইলৈ অনুষ্ঠিত হ'বলগীয়া খেল মহাৰণ-২.০ৰ মাণ্ডলিক পৰ্যায়ৰ সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ইতিমধ্যে বাছনি কৰা নগাঁও জিলা সাঁতোৰ দলটোৰ খেলুৱৈসকল হ'ল- বিকাশ চৌধুৰী, চাৰকাৰু ক্ৰামচা, মৃণাল বিশ্বাস, দেৱজিৎ গোঁহাই, মহেশ্বৰ টকবী, আশীষ এম তণবীৰ, আণমনজুৰ আখটাৰ, মৃন্ময় শৰ্মা, আব্দুল জোনাইড (ল'ৰা), মাফিয়া খাটুন, ৰঞ্জিতা খাটুন, নিকিতা তাঁতী, আয়ুশ্ৰী সাহা, ইয়াচমিন চুলতানা (ছোৱালী)। নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাই জানিবলৈ দিয়ামতে, উল্লেখিত দলটোৰ সৈতে প্ৰভাত চন্দ্ৰ বৰা আৰু সমীৰ হাজৰিকা মেনেজাৰৰূপে থকাৰ বিপৰীতে আটাউৰ ৰহমান, চাহিল আহমেদ, হীৰামণি বৰদলৈ আৰু আকাশ বসুমতাৰী প্ৰশিক্ষকৰূপে তথা দীপেন গগৈ, হিৰণ্য গোঁহাই, জুনমনি নায়ক সহযোগীৰূপে আছে। উল্লেখ্য যে, যোৱা ৪ ফেব্ৰুৱাৰীত তেজপুৰত অনুষ্ঠিত এক বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে নগাঁও জিলা সাঁতোৰ দলটো নিৰ্বাচিত কৰা হয়।

# চন্দ্ৰধৰ বৰুৱা নগৰত ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, পশ্চিম যোৰহাট, ১০ ফেব্ৰুৱাৰীঃ** এনজিচিচি, লিটল ষ্টাৰ ক্ৰিকেট ক্লাবে পকিমুৰী হাবিগাঁওবাসীৰ সহযোগত প্ৰাইজমনি টেনিচ বল ক্ৰিকেট প্ৰতিযোগিতা ২১-২৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰিব। বিনু দত্ত সোঁৱৰণত বিজয়ী দলক, লালমণি শৰ্মাৰ সোঁৱৰণত বিজিত দলক আৰু শ্ৰেষ্ঠ খেলুৱৈক ট্ৰফীৰ লগতে নগদ ধন পৰিয়ালৰ হে পোনা দত্ত, কৃষ্ণ শৰ্মা, বেদপ্ৰকাশ শৰ্মাই প্ৰদান কৰিব। প্ৰাইজমনিৰ মুঠ ধন ২৫ হেজাৰ টকা। সভাপতি চম্পক বৰা, সম্পাদক পাৰ্থ প্ৰতিম বৰাই ফোন ৮৭২১৮-০৫৩৩১, ৬০০২৫-৮১০৭৭, ৮৮২২০-৭৬৯৮৪৩ যোগাযোগ কৰিবলৈ আগ্ৰহীসকলক অনুৰোধ জনাইছে।




ইংলেণ্ডৰ বিৰুদ্ধে শতক অৰ্জনৰ পিছত পেভিলিয়নমুখী ৰোহিত শৰ্মা




লাহোৰত অনুষ্ঠিত ত্ৰিদেশীয় শৃংখলাত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শতকীয় ইনিংছ নিউজিলেণ্ডৰ কেন উইলিয়ামছনৰ

## অৱশেষত অন্ত পৰিল তাৰকা কেন উইলিয়ামছনৰ শতকৰ খৰাং

# ৪৫৩ দিনে শতকৰ মুখ দেখা নাই কিং কোহলিয়ে! ব্যৰ্থ ৰুট, স্মিথো

**নতুন দিল্লী, ১০ ফেব্ৰুৱাৰীঃ** ক্ৰিকেট জগতখনত বিগত ডেৰ দশক ধৰি অধিপত্য চলাই আছে চাৰি শীৰ্ষ বেটছমেন বিৰাট কোহলি, জো ৰুট, ষ্টিভ স্মিথ আৰু কেন উইলিয়ামছনে। এই চাৰি তাৰকাই ইটোৰ পিছত সিটো ডাঙৰ ইনিংছ প্ৰস্তুত কৰিছে যদিও শেহতীয়া ছবিখন ভিন্ন হোৱা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ পাকিস্তানত চলি থকা ত্ৰিদেশীয় শৃংখলাত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অপৰাজিত ১৩৩ ৰান সংগ্ৰহ কৰি ২১টা দীঘলীয়া ইনিংছৰ অন্তত এদিনীয়া মেচত শতক অৰ্জন কৰিবলৈ সক্ষম হৈছে কেন উইলিয়ামছনে। কিন্তু এতিয়াও এদিনীয়া ক্ৰিকেটত শতক অৰ্জনৰ প্ৰতীক্ষাত ৰৈছে বিৰাট কোহলি, জো ৰুট আৰু ষ্টিভ স্মিথ। উল্লেখ্য যে, ২০২৩ চনৰ বিশ্বকাপত নিউজিলেণ্ডৰ বিৰুদ্ধে বিৰাট কোহলিয়ে ১১৭ ৰান সংগ্ৰহ কৰিছিল। কিন্তু বিগত ৪৫৩ দিনত শতক সম্ভৱ হোৱা নাই কোহলিৰ বাবে। ২০২৪ চনত ভাৰতে মাত্ৰ তিনিখন এদিনীয়া খেল খেলিছিল যদিও কোহলিৰ বেটে এতিয়াও যাদুকৰী তিনি অংকৰ সংখ্যাত উপনীত হ'ব পৰা নাই। অন্যহাতে, টেষ্টত উৎকৃষ্ট ফৰ্মত থকা ষ্টিভ স্মিথে যোৱা আঠটা ইনিংছত চাৰিটা শতক অৰ্জন কৰিছে। অৱশ্যে ৮৮৩ দিন ধৰি এদিনীয়া মেচত শতকৰ বাবে অপেক্ষা কৰি আছে স্মিথেও। ২০২২ চনৰ ছেপ্টেম্বৰ মাহত নিউজিলেণ্ডৰ বিৰুদ্ধে ১০৫ ৰানৰ ইনিংছ খেলাৰ পিছত তেওঁ এদিনীয়া মেচত শতক অৰ্জন কৰিব পৰা নাই। আনফালে, জো ৰুটৰ ক্ষেত্ৰত পৰিস্থিতি আৰু অধিক চৰম। ২০১৯ চনৰ জুন মাহত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে শেষ শতক অৰ্জন কৰাৰ পিছত তেওঁৰ এদিনীয়া শতকীয় খৰাং ২০৬৮ দিন ধৰি চলিছে। তথাপিও যোৱা চাৰি বছৰত তেওঁ টেষ্টত ১৯টা শতক অৰ্জন কৰিছে। বিশ্বৰ এই শীৰ্ষ বেটাৰ সকলৰ ধাৰাবাহিক ব্যৰ্থতাই হতাশ কৰিছে তেওঁলোকৰ অনুৰাগীসকলকো।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি